সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ,১০ সংখ্যা, ২৩ ফাগুন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 10 Date of Publication- 08 March 2026 Rs. 10.00/-

## ৬০ টকাকৈ বৃদ্ধি ঘৰুৱা চিলিণ্ডাৰৰ দাম



ৰঙিলী বাৰ্ত্তাসেৱা- মধ্য প্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱ ভাৰততো পৰিবলৈ আৰম্ভ । পশ্চিম এছিয়াৰ সংঘাতৰ ফলত বিভিন্ন ক্ষেত্ৰত প্ৰভাৱ পৰিছে। বিশেষকৈ শক্তি খণ্ডত প্ৰভাৱ স্পষ্ট হৈ পৰিছে। মধ্যপ্ৰাচ্যৰ যুদ্ধৰ মাজতে ভাৰতত বৃদ্ধি পালে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম। শনিবাৰে মাজনিশাৰ পৰা প্ৰতিটো এলপিজি ঘৰুৱা আৰু বাণিজ্যিক চিলিণ্ডাৰত ক্ৰমে ৬০ টকা আৰু ১১৪.৫০ টকাকৈ বৃদ্ধি পাইছে। চলিত মাৰ্চ মাহতে দ্বিতীয়বাৰলৈ বৃদ্ধি পালে চিলিণ্ডাৰৰ মূল্য। ইয়াৰ পূৰ্বে এক মাৰ্চত প্ৰতিটো বাণিজ্যিক চিলিণ্ডাৰত ২৮ টকাকৈ বৃদ্ধি কৰা হৈছিল। পশ্চিম এছিয়াত ইৰানৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে যুটীয়াভাৱে চলোৱা আক্ৰমণৰ পিছত বিশ্বজুৰি ইন্ধনৰ মূল্য তীব্ৰ উত্থানৰ আশংকা কৰা হৈছে। ইণ্ডিয়ান অইল কৰ্প'ৰেচনৰ ৱেবছাইটত প্ৰকাশ কৰা মতে, (দহ পৃষ্ঠাত চাওক)

## আহমেদাবাদত আজি ভাৰত- নিউজিলেণ্ডৰ মাজত ফাইনেল



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰায় এমাহ ধৰি চলা টি-২০ বিশ্বকাপৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি বিশ্ব জয়ৰ শেষ ৰণ। ডিফেণ্ডিং চেম্পিয়ন টীম ইণ্ডিয়া আৰু নিউজিলেণ্ডৰ মাজত আজি অনুষ্ঠিত হ'ব টি-২০ বিশ্বকাপ ২০২৬ৰ ফাইনেল। এই খিতাপ যুঁজৰ মেচখনত দুয়োটা দলে ইতিহাস গঢ়াৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। আজিৰ মেচখনক লৈ দুয়োটা দল আত্মবিশ্বাসী। ইতিমধ্যে মেচখনক লৈ বাকযুদ্ধত লিপ্ত হৈছে নিউজিলেণ্ডৰ অধিনায়ক মিচেল ছাণ্টনাৰ। অৱশ্যে ভাৰতীয় দলটোৰ অধিনায়কে নিউজিলেণ্ডৰ অধিনায়কগৰাকীৰ বাকযুদ্ধক লৈ কোনো ধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই। ফাইনেল মেচখনৰ বাবে বিশেষ ৰণনীতি তৈয়াৰত ব্যস্ত (দহ পৃষ্ঠাত চাওক)

## চচলত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ চচলত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ। এনপিএছৰ সলনি পুৰণি পেন্সন প্ৰৱৰ্তনৰ দাবীৰে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই চচল ধৰ্ণাস্থলীত প্ৰতীকী অনশন কাৰ্যসূচী গ্ৰহণ কৰে। নিৰ্বাচনৰ পূৰ্বে পুৰণা পেন্সন নীতি বাহাল ৰখাৰ দাবী। অন্যথা '২৬ৰ নিৰ্বাচনত চৰকাৰক উচিত প্ৰত্যুত্তৰ দিয়াৰ হুংকাৰ প্ৰতিবাদকাৰীৰ। সংগঠনটোৰ (দহ পৃষ্ঠাত চাওক)

## মহিলা কৰ্মচাৰীৰ বাবে ৰাজ্য চৰকাৰৰ ব্যতিক্ৰমী পদক্ষেপ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত মহিলা কৰ্মচাৰীৰ বাবে বিশেষ ব্যৱস্থা উপলব্ধ চৰকাৰৰ। ৰাজ্য চৰকাৰে কৰ্মক্ষেত্ৰত মহিলা কৰ্মচাৰীৰ সুৰক্ষা বৃদ্ধিৰ প্ৰয়াস হিচাপে এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। বিভাগে বিভাগে 'SHe Box' (ছেজুৱেল হেৰাছমেন্ট ইলেক্ট্ৰ'নিক বক্স) ব্যৱস্থা ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ দ্বাৰা ভুক্তভোগী মহিলা কৰ্মচাৰীসকলে নিৰাপদ আৰু (দহ পৃষ্ঠাত চাওক)

## ৰাষ্ট্ৰীয় একতা শিবিৰলৈ ৰাওনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ এনএছএছৰ দল

ৰঙিলী বাৰ্ত্তাসেৱা- ৮ মাৰ্চৰ পৰা ১৪ মাৰ্চলৈ ওড়িশাৰ চম্বলপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় একতা শিবিৰত অংশগ্ৰহণ কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি, চমুকৈ এনএছএছৰ এটা দল ৰাওনা হৈছে। দলটোত মুঠ আঠজন স্বেচ্ছাসেৱক আৰু এগৰাকী কাৰ্যসূচী বিষয়া আছে । ওড়িশা চৰকাৰৰ ৰাজ্যিক এনএছএছ কোষৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ যুৱ কল্যাণ তথা ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনৰ এনএছএছৰ আঞ্চলিক সঞ্চালকালয়, ওড়িশাৰ সহযোগত আয়োজন কৰা হৈছে। এই শিবিৰৰ প্ৰধান উদ্দেশ্য হৈছে দেশৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীৰ মাজত ৰাষ্ট্ৰীয় একতা আৰু সাংস্কৃতিক বিনিময় বৃদ্ধি কৰা। দলটোক নেতৃত্ব দিছে গোৱালপাৰা (দহ পৃষ্ঠাত চাওক)

## ডনবস্ক' উঃমাঃ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰে ৰাজ্যপালৰ মত বিনিময়



ৰঙিলী বাৰ্ত্তাসেৱা- অপাৰেচন সম্ভাবনাৰ অধীনত ৰাষ্ট্ৰীয় সংহতি ভ্ৰমণৰ অংশ হিচাপে লোকভৱন ভ্ৰমণ কৰা নাগালেণ্ডৰ ডনবস্ক' উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মত বিনিময় কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্যপালগৰাকীয়ে কয় যে সম্ভাবনা ভ্ৰমণে যুৱক-যুৱতীসকলক ভাৰতৰ চহকী বৈচিত্ৰ্য, সংস্কৃতি, পৰম্পৰাক বুজিবলৈ সহায় কৰাৰ (দহ পৃষ্ঠাত চাওক)

# Siliguri Chapter of EIRC of ICSI Successfully Organises Annual Members' Conference "Amogh"

RB News: The Siliguri Chapter of the Eastern India Regional Council (EIRC) of The Institute of Company Secretaries of India (ICSI) successfully organised its Annual Members' Conference in the form of a Full Day Seminar titled "Amogh" at The Cindrella Hotel, Siliguri on Saturday, 7th March 2026. Shri Dilip Dugar, Hon'ble Chairman, Siliguri Jalpaiguri Development Authority, graced the occasion as the Chief Guest and addressed the gathering, appreciating the role of Company Secretaries in strengthening corporate governance and promoting responsible professional practices. The Inaugural Session of the programme was virtually addressed by CS Rupanjana De, Central Council Member of The ICSI, and CS Bishal Harlalka, Chairman, Eastern India Regional Council (EIRC) of The ICSI, who shared their valuable insights and extended their best wishes for the success of the Seminar. The Seminar was further enriched by the esteemed presence of CS Sudhir Kumar Banthiya, Former Chairman, EIRC of The ICSI. CS Saptasikha Jhampati, Chairperson of the Siliguri Chapter of EIRC of The ICSI, delivered the Formal Welcome Address, warmly greeting the distinguished guests, speakers, members, and students while highlighting the significance of knowledge-sharing and professional development through such initiatives. The first technical session featured CS (Dr.) Mohit Shaw, Former Chairman, EIRC of The ICSI, who delivered an insightful presentation on the topic "Building Regional Unicorns: How SME IPOs Empower Startups in Tier-2 & Tier-3 Cities." His address highlighted the emerging opportunities for startups in smaller cities and the critical role of SME IPOs in fostering regional economic growth. The second half of the Seminar featured another enriching technical session by



CS Arpan Sengupta, Practising Company Secretary from Kolkata, who spoke on "The Future of Workplace Governance – Integrating the New Labour Codes, Harmonizing Social Security, Workplace Safety and POSH Compliance." His session provided valuable insights into evolving workplace governance frameworks and compliance challenges. In a special moment during the programme, participants also celebrated the spirit of International Women's Day (8th March 2026) by cutting a cake and acknowledging the invaluable contributions of women in the profession and society. The entire event was efficiently coordinated by Ms. Raghawi Sharma and Ms. Anusmita Roy, dedicated students of The ICSI. The programme witnessed enthusiastic participation from several Company Secretaries and students, and the event received coverage from various print and electronic media, reflecting the growing prominence of the Siliguri Chapter in professional and academic outreach.

# ৰাইজৰ আশিসেৰে উদ্বুদ্ধ হৈ বিকাশ আৰু প্ৰগতিৰ যাত্ৰাত আমি সাহসেৰে আগুৱাই যামঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যিক বিজেপিৰ আশীৰ্বাদ যাত্ৰাই ষষ্ঠ দিনা সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁও বিধানসভা সমষ্টিক সামৰি ল'লে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শনিবাৰে পুৱাৰে পৰা নিশালৈ চলা এই যাত্ৰাত পুৰুষ-মহিলা, যুৱক-যুৱতীকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ জনতাই ৰাজপথলৈ ওলাই আহি অটল-অবিচল আৰু অগ্ৰগামী অসমৰ অনিৰুদ্ধ গতি অব্যাহত ৰখাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাক শুভাশিস প্ৰদান কৰে। সৰুপথাৰত আৰম্ভহোৱা এই জন আশীৰ্বাদ যাত্ৰা পাৰ হৈ যোৱা সমষ্টিকেইটাৰ প্ৰতিটো অঞ্চলতেই ৰাইজে পাৰভগা উৎসাহ প্ৰদৰ্শন কৰে। শনিবাৰে পুৱা সৰুপথাৰ সমষ্টিৰ বৰপথাৰ দূৰণি শিৱ মন্দিৰ প্ৰাংগণত অস্থায়ী হেলিপেডত হেলিকপ্টাৰেৰে অৱতৰণ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পোনে পোনে দূবৰণি শিৱ মন্দিৰ চৌহদত খননকাৰ্যত উদ্ধাৰ হোৱা এটি প্ৰাচীন মূৰ্তিৰ আগত সেৱা লৈ এখন বিশাল সভাত অংশগ্ৰহণ কৰে। এই সভাতে মুখ্যমন্ত্ৰীয়ে উন্নয়নৰ স্বাৰ্থত বিজেপি দলক পুনৰ ভোটদান কৰিবৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত

( তিনিপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বিজেপিৰ মাঙলিক কাৰ্যালয়ৰ শুভ উদ্বোধন




ৰঙিলী বাৰ্তাসেৱা- বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাত ৰাইজৰ ব্যাপক সঁহাৰি পোৱা গৈছে ।সকলোতেই ৰাইজৰ স্বতঃস্ফুত সঁহাৰি। প্ৰতিটো দিশৰ পৰাই ৰাইজ, হিল দল ভাঙি ওলাই আহিছে। ৰাইজৰ আস্থা আৰু বিশ্বাসৰ এয়া নিশ্চিত প্ৰতিফলন। ডিব্ৰুগড়ত বিজেপিৰ মাঙলিক কাৰ্যালয়ৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এনেদৰেই সাংবাদিকৰ আগত মত প্ৰকাশ কৰে। তেওঁ আৰু কয় যে ডিব্ৰুগড যিহেতু এখন ৰাজ্যৰ দ্বিতীয় ৰাজধানী, সেয়ে জিলা কাযাৰ্লয় নকৰি মাঙলিক কাযাৰ্লয় খোলা হৈছে। গুৱাহাটীৰ বাজপেয়ী ভৱন মুকলিৰ পিছত ডিব্ৰুগড়ত বিজেপি দলৰ অত্যাধুনিক মাঙলিক কাৰ্যালয়টো শুক্ৰবাৰে

( তিনিপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় প্ৰেছ ক্লাবৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- সোণালী জয়ন্তী বৰ্ষ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় প্ৰেছ ক্লাবে অৱশেষত লাভ কৰিলে এটি নিজা স্থায়ী ঠিকনা। ডিব্ৰুগড়ৰ চৌকিডিঙ্গীস্থিত চাউথ জালান চাহ বাগিচাত নিৰ্মাণ হ'ব ডিব্ৰুগড় প্ৰেছ ক্লাবৰ স্থায়ী কাৰ্যালয়। অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ হ'বলগীয়া ডিব্ৰুগড় প্ৰেছক্লাবৰ স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণকাৰ্য আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰী শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ধৰ্মীয় ৰীতি-নীতিৰে ভূমি পূজন কৰি আধাৰশিলা কাৰ্যসূচী সমাপন কৰে। মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰি কয় যে "আজিৰ দিনটো ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ বাবে ঐতিহাসিক দিন। ৫০ বছৰৰ ( তিনিপৃষ্ঠাত চাওক)

# কাৰ্বি আংলঙৰ ছুখয় যুদ্ধ বিমান দুৰ্ঘটনাত নিহত দুই পাইলট



ৰঙিলী বাৰ্ত্তাসেৱা-কাৰ্বি আংলঙৰ চকীহোলাৰ দুৰ্গম পাহাৰত সংঘটিত হোৱা ছুখয় - ৩০ এম কে আই (Sukhoi Su-30MKI) যুঁজাৰু বিমান দুৰ্ঘটনাত ভাৰতীয় বায়ুনোৰ দুজন পাইলটৰ পৰিচয় অৱশেষত উদ্ধাৰ হৈছে। ভাৰতীয় বায়ুসেনাই সামাজিক মাধ্যমযোগে মৃত বায়ুসেনাৰ বিষয়া দুগৰাকী ক্ৰমে স্কোৱাড্ৰ'ন লীডাৰ অনুজ আৰু ফ্লাইট লেফটেনেন্ট পূৰ্বেশ দুৰাগকাৰ বুলি নিশ্চিত কৰিছে। উল্লেখ্য যে বৃহস্পতিবাৰে সন্ধিয়া যোৰহাটৰ ভাৰতীয় বায়ুসেনাৰ বিমানঘাটিৰ পৰা নিয়মীয়া প্ৰশিক্ষণৰ বাবে উৰা মাৰিছিল ছুখয় এছইউ-৩০ এমকেআই শ্ৰেণীৰ যুঁজাৰু বিমানখন। সন্ধিয়া ৭.৪২ বজাৰ পৰা বায়ুসেনাৰ ৰাডাৰত যোগাযোগ বিচ্ছিন্ন হৈ পৰা বিমানখনৰ সন্ধান বিচাৰি অভিযান আৰম্ভ কৰাৰ সময়তে কাৰ্বি আংলঙৰ চকীহোলা অঞ্চলৰ শান্তিলাংছ'ৰ কালাপাহাৰ নামৰ ঠাইত বিমানখন দুৰ্ঘটনাত পতিত হোৱাৰ খবৰ আহিছিল। জানিব পৰা মতে, দুয়োজন পাইলট প্ৰশিক্ষণৰত অৱস্থাত আছিল। আনদিনাৰ দৰে বৃহস্পতিবাৰেও নিয়মীয়া প্ৰশিক্ষণৰ অনুশীলনৰ বাবে সন্ধিয়াৰ ভাগত দুয়োগৰাকী পাইলটে বিমানখনত উৰা মাৰিছিল। অঞ্চলটোৰ প্ৰত্যক্ষদৰ্শীসকলে উল্লেখ কৰা অনুসৰি অঞ্চলটোৰ এখন ওখ পাহাৰৰ দিশৰ পৰা প্ৰচণ্ড বিস্ফোৰণৰ শব্দ আহিছিল। এই শব্দ ইমানেই ডাঙৰ আছিল যে অঞ্চলটোৰ আশে-পাশে থকা গাঁওসমূহত মুহূৰ্ততে (দহ পৃষ্ঠাত চাওক)

# পৱিত্ৰ মাৰ্ঘেৰিটা নহয়, যোৰহাটৰ স্থানীয়ইহে হ'ব বিজেপিৰ প্ৰাৰ্থীঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা-আগন্তুক বিধানসভা নিৰ্বাচনত যোৰহাট বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা নকৰে কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা স্পষ্ট কৰিলে। উল্লেখ্য যে যোৰহাট সমষ্টিৰ পৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিব। এনে অৱস্থাত গৌৰৱ গগৈক প্ৰত্যাহ্বান জনাবলৈ বিজেপিয়ে কেন্দ্ৰীয় বৈদেশিক দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাক প্ৰক্ষেপ কৰিব বুলি ব্যাপক চৰ্চা চলিছিল। যোৱা সময়ছোৱাত যোৰহাট সমষ্টিৰ দলীয় কাম-কাজত ব্যস্ত হৈ থকা পৱিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটত নতুনকৈ ঘৰ ক্ৰয় কৰি নিগাজিকৈ থাকিবলৈ লৈছিল। স্বাভাৱিকতে পৱিত্ৰ মাৰ্ঘেৰিটাৰ এনে কুচকাৱাজৰ বাবেই গৌৰৱ গগৈৰ প্ৰতিদ্বন্দ্বী হ'ব বুলি চৰ্চা চলিছিল। কিন্তু এনে চৰ্চাক নস্যাৎ কৰি নাহৰকটীয়াত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পদত এজন অসমীয়া সাংসদ অধিষ্ঠিত হৈ থকাটো অসমৰ বাবে গৌৰৱৰ কথা। অসমে এই সুযোগ কেতিয়াও হেৰুৱাব নোখোজে। ২০২৯ চনৰ লোকসভা নিৰ্বাচনতহে ( নপৃষ্ঠাত চাওক)

# ৰাইজৰ আশিসেৰে উদ্বুদ্ধ

কয়- জনসাধাৰণৰ এই মৰম আৰু উৎসাহ সদায় মনত সজীৱ হৈ থাকিব। ৰাইজৰ আশিসেৰে উদ্বুদ্ধ হৈ বিকাশ আৰু প্ৰগতিৰ যাত্ৰাত আমি সাহসেৰে আগুৱাই যাম। জন আশীৰ্বাদ যাত্ৰালৈ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰি আৰু বিজেপিৰ প্ৰতি প্ৰদৰ্শন কৰা মৰম-স্নেহত তেওঁ অভিভূত হৈ পৰিছে বুলিও উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে বৰপথাৰ, দূবৰণি শিৱ মন্দিৰৰ পৰা গেলাবিললৈকে প্ৰায় ১৩ কিলোমিটাৰ এখন খোলা গাড়ীত যাত্ৰা কৰি ৰাইজৰ আশীৰ্বাদ গ্ৰহণ কৰে। প্ৰায় ৩০ হাজাৰৰো অধিক লোকে পথৰ কাষত থিয় হৈ মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনায়। এই যাত্ৰাত মুখ্যমন্ত্ৰীক সংগ প্ৰদান কৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী অজন্তা নেওগ, বিধায়ক বিশ্বজিৎ ফুকনকে ধৰি কেইবাজনো নেতাই। সৰুপথাৰৰ পাছতে আশীৰ্বাদ যাত্ৰা গোলাঘাট বিধানসভা সমষ্টিৰ চাংখাটি আৰু তেলীশালত উপস্থিত হোৱাত সমৰ্থকসকলে মুখ্যমন্ত্ৰীক উষ্ম আদৰণি জনায়।

# ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বিজেপিৰ

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভ উদ্বোধন কৰে। ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত স্থাপন কৰা মাণ্ডলিক কাৰ্যালয়টোৰ মুকলি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন, ৰাজ্য সভাৰ সাংসদ ৰামেশ্বৰ তেলীকে প্ৰমুখ্যে কৰি বিজেপিৰ বহু সংখ্যক বিষয়ববীয়া, কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। প্ৰায় ১২ কোটি টকা ব্যয়েৰে নিৰ্মাণ হোৱা ৮ খন জিলাৰ ৪৮ টা সমষ্টিক সাঙুৰি এই কাৰ্যালয় নিৰ্মাণ কৰা হৈছে। অত্যাধুনিক কাৰ্যালয়টোত কনফ্ৰাৰেন্স গৃহ, কম্পিউটাৰ গৃহ, বিজেপিৰ জিলা কাৰ্যালয়ৰ লগতে অতিথি আহিলে থাকিব পৰা অত্যাধুনিক সুবিধা থকা সম্পূৰ্ণ কোঠা সংলগ্ন আছে। এই মাণ্ডলিক কাৰ্যালয় স্থাপনৰ জৰিয়তে ডিব্ৰুগড় আৰু উজনি অসমৰ বিভিন্ন জিলাৰ প্ৰশাসনিক কাম-কাজ অধিক সৰল আৰু দ্ৰুত গতিত সম্পন্ন হোৱাৰ লগতে আগন্তুক নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত দলীয় কৰ্মকৰ্তা সকলৰ মাজত যথেষ্ট উৎসাহ বৃদ্ধি পাব। গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত নোযোৱাকৈ ডিব্ৰুগড় কাৰ্যালয় পৰাই আগন্তুক নিৰ্বাচনৰ সকলো কাম-কাজৰ পৰিচালনা হ'ব।

# ইউপিএছচিত জিলিকিল অসমৰ ৪ সন্তান



ৰঙিলী বাৰ্ত্তাসেৱা-কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত উজলি উঠিছে অসমৰ চাৰিগৰাকী সন্তান। কেন্দ্ৰীয় লোকসেৱা আয়োগে প্ৰকাশ কৰা ফলাফল অনুসৰি কামৰূপ (মহানগৰ)ৰ অভিজ্ঞান খাউণ্ড, লিজা গাৰ্গ, যোৰহাটৰ ডাঃ অভিজ্ঞান জ্যোতি বৰা আৰু নগাঁও জিলাৰ ভাস্বত শইকীয়া। ইয়াৰে অভিজ্ঞান খাউণ্ডে সৰ্বভাৰতীয় পৰ্যায়ত ১৮৭, লিজা গাৰ্গে ৩০৩, ডাঃ অভিজ্ঞান জ্যোতি বৰাই ৫৭০ আৰু ভাস্বত শইকীয়াই (দহ পৃষ্ঠাত চাওক)

# অখিল গগৈৰ ৰাইজৰ দলক একাষৰীয়া কৰি বিৰোধীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল গগৈৰ ৰাইজৰ দলক একাষৰীয়া কৰি বিৰোধীৰ চাৰিটাকৈ দলৰ আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে আলোচনা তথা বৈঠক অনুষ্ঠিত। বিৰোধী ঐক্য গঠনৰ বাবে কংগ্ৰেছৰ ওচৰত তাৰিখৰ পিছত তাৰিখৰ ডেডলাইন দিয়া অখিল গগৈৰ অবিহনে কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ, চিপিএম, (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় প্ৰেছ ক্লাবৰ

পাছত ডিব্ৰুগড় প্ৰেছ ক্লাবে অত্যাধুনিক ভৱন লাভ কৰিলে -আমি আশা কৰিম এই প্ৰেছ ক্লাৱ ভৱনটো নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে সমাপন হয়। আমি ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সকলো বিষয়ববীয়াক শুভেচ্ছা জনাইছোঁ"। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে "ইতিমধ্যে ৫০ বছৰ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় প্ৰেছ ক্লাবে লাভ কৰিব এটি স্থায়ী ঠিকনা, ডিব্ৰুগড়ৰপৰা গুণগত সংবাদ সেৱাৰ প্ৰসাৰেৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভেটি সুদৃঢ় কৰাত সবল ভূমিকা পালন কৰি অহা সাংবাদিকসকলৰ সুবিধাৰ্থে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ডিব্ৰুগড় প্ৰেছ ক্লাব ভৱনৰ আধাৰশিলা স্থাপন আৰু ভূমি পূজন কৰোঁ। ইয়াৰদ্বাৰা সমন্বিত প্ৰচেষ্টাৰে সংবাদ জগতক গতিশীলতা প্ৰদানেৰে সমাজৰ উৎকৰ্ষ সাধনত সাংবাদিকসকলে নিষ্ঠাৰে সেৱা আগবঢ়াই যাব বুলি আমি আশাবাদী"। ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ উপ-সভাপতি অনিল পোদ্দাৰে আঁত ধৰা আৰু সভাপতি মানসজ্যোতি দত্তৰ পৌৰহিত্যত অনুষ্ঠিত অনুষ্ঠানত মন্ত্ৰী বিমল বৰাই কয়, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম শক্তিশালী হ'লে দেশৰ ভেটি শক্তিশালী হয়। ডিব্ৰুগড় প্ৰেছক্লাৱে সামাজিক, সাংস্কৃতিক আৰু সৰ্বাংগীনভাৱে ৰাষ্ট্ৰ নিৰ্মাণত সংবাদ মাধ্যমৰ জৰিয়তে সবল ভূমিকা পালন কৰি আহিছে। আশা কৰিছোঁ প্ৰেছ ক্লাৱৰ নতুন কাৰ্যালয় নিৰ্মাণৰ পিছত এই কাৰ্যালয়ৰ জৰিয়তে সাংবাদিকসকল যথেষ্ট উপকৃত হ'ব। ডিব্ৰুগড় প্ৰেছক্লাৱৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰশান্ত ফুকন, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক বিনোদ হাজৰিকা আৰু চক্ৰধৰ গগৈ, ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, চাউথ জালান নগৰ চাহ বাগিচাৰ স্বত্বাধিকাৰী তথা ভূমিৰ দাতা মৃগেন্দ্ৰ জালান আৰু মৃত্যুঞ্জয় জালান, বিশিষ্ট চাৰ্টাৰ্ড একাউন্টেণ্ট তথা সমাজসেৱক জ্যোতি প্ৰসাদ কানৈ, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া, ডিব্ৰু মহাবিদ্যালয় অধ্যক্ষ ডঃ ৰঞ্জন চাংমাই, সমাজসেৱক তথা বিশিষ্ট ব্যৱসায়ী ৰাজন লোহিয়া, ডঃ কল্পনা খাউণ্ড, আৰ্কিটেক (স্থাপতিবিদ) চঞ্চল ৰাজকোঁৱৰ, জে এছ বি কনষ্ট্ৰাকচনৰ হৈ সজ্জন হৰলালকা, বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক আত্মাৰাম বিমৰিৱাল আদি বহুতো বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখযোগ্য যে, প্ৰায় ৮.৭০ কোটি টকা ব্যয় সাপেক্ষে ডিব্ৰুগড় প্ৰেছ ক্লাবৰ আদৰ্শ ভৱনটো নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে।

# ব্ৰহ্মপুত্ৰত দেশৰ প্ৰথম নদীভিত্তিক লাইটহাউছৰ আধাৰশিলা স্থাপন সোণোৱালৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতত অভ্যন্তৰীণ জলপথ পৰিবহণ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোনোৱালে বৃহস্পতিবাৰে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত চাৰিটা লাইটহাউছ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে। এয়া দেশৰ অন্তৰ্দেশীয় জলপথত স্থাপন কৰা প্ৰথম নৈপৰীয়া লাইটহাউছৰ আন্তঃ গাঁথনি হিচাপে পৰিগণিত হ'ব। এই উপলক্ষে বন্দৰ, জাহাজ জলপথ মন্ত্ৰালয়ৰ অধীনস্থ লাইটহাউছ আৰু লাইটশ্বিপ সঞ্চলকালয় (ডিজিএলএল) আৰু ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ (আইডব্লিউএআই) ৰ যৌথ উদ্যোগত গুৱাহাটীৰ লাচিত ঘাটত এক অনুষ্ঠানৰ আয়োজন কৰা হয়। লাইটহাউছ নিৰ্মাণ কৰিবলগীয়া স্থান চাৰিটা হ'ল-ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ক্ৰমে ডিব্ৰুগড় জিলাৰ বগীবিল, কামৰূপ (মহানগৰ) জিলাৰ পাণ্ডু, নগাঁও জিলাৰ শিলঘাট আৰু উত্তৰ পাৰে বিশ্বনাথ ঘাট। যি ভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ মালবাহী আৰু যাত্ৰীবাহী জাহাজ কৰিডৰ ব্ৰহ্মপুত্ৰ (ৰাষ্ট্ৰীয় জলপথ-২)ৰ কৌশলগত স্থানত অৱস্থিত। চাৰিওটা লাইটহাউছৰ বাবে প্ৰকল্প ব্যয় প্ৰায় ৮৪ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰতিটো লাইটহাউছৰ ভৌগোলিক পৰিসৰ ১৪ নটিকেল মাইল আৰু ৮-১০ নটিকেল মাইলৰ আলোকময় পৰিসৰৰ সৈতে ২০ মিটাৰলৈ উচ্চতালৈ উঠিব, যিটো সম্পূৰ্ণৰূপে সৌৰশক্তিৰ দ্বাৰা চালিত হ'ব। নেভিগেচন আন্তঃগাঁথনিৰ সমান্তৰালভাৱে প্ৰতিটো স্থানতে সংগ্ৰহালয়, এম্ফিথিয়েটাৰ, কেফেটেৰিয়া, শিশুৰ খেলা ঠাই, কিতাপৰ বিপণী আৰু সু-সজ্জিত ৰাজহুৱা স্থান থাকিব। প্ৰতিটো লাইটহাউছে পৰ্যটনৰ উল্লেখযোগ্য আৰু এক কাৰ্যক্ষম সামুদ্ৰিক সম্পদ হিচাপেও স্থান লাভ কৰিব। আইডব্লিউএআইৰ তথ্য মতে, ২০২৪-২৫ বিত্তীয় বৰ্ষত ব্ৰহ্মপুত্ৰ জলপথত সামগ্ৰীৰ পৰিবহণ ৫৩ শতাংশ বৃদ্ধি পোৱাৰ প্ৰত্যক্ষ সঁহাৰিৰ ভিত্তিতে ৰাষ্ট্ৰীয় ঘাইপথ-২৩ নৈপৰীয়া লাইটহাউছ আৰম্ভ কৰা হৈছে। ৰাষ্ট্ৰীয় জলপথ-চত মালবাহী জাহাজ চলাচল ধাৰাবাহিকভাৱে বৃদ্ধি পাই আহিছে আৰু ব্ৰহ্মপুত্ৰ কৰিডৰ এতিয়া যাত্ৰী তথা পৰ্যটকৰ সমান্তৰালকৈ অসমৰ চাহ, কয়লা আৰু সাৰ ( নপৃষ্ঠাত চাওক)

# ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল যোগেন মহন, তেৰছ গোৱালা আৰু প্ৰমোদ বড়োৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যসভাৰ অসমৰ তিনিখন আসনৰ দুখনৰ বাবে বৃহস্পতিবাৰে বিজেপিৰ হৈ বিধায়ক তেৰছ গোৱালা আৰু মন্ত্ৰী যোগেন মহনে মনোনয়ন দাখিল কৰে। আনহাতে তৃতীয়খন আসনৰ বাবে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী তথা ইউপিপিএলৰ মুৰব্বী প্ৰমোদ বড়োৱে মনোনয়ন দাখিল কৰে। শুক্ৰবাৰে পুৱাৰ ভাগতে দিছপুৰত ৰাজ্যসভা নিৰ্বাচনৰ বাবে ৰিটাৰ্নিং বিষয়াৰ ওচৰত বিজেপিৰ হৈ মাহমৰাৰ বিধায়ক তথা মন্ত্ৰী যোগেন মহন, দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা আৰু ইউপিপিএল প্ৰধান প্ৰমোদ বড়োৱে নিজৰ নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। ৰাজ্যসভাৰ তিনিওগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী অতুল বৰা, দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা নিৰ্বাচন প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডা, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী অশোক সিংহল, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস ( নপৃষ্ঠাত চাওক)

# মিঞাৰ লগত আমাৰ শত্ৰুতা নাইঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- '২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অব্যাহত 'জন আশীৰ্বাদ যাত্ৰা'ৰ মাজতে মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই কৰিলে মিঞাকলৈ এক ঐতিহাসিক ঘোষণা-ৰাষ্ট্ৰক ভাল পোৱা মানুহৰ লগত আমাৰ কোনো সমস্যা নাই। কোনোবাই যদি ভাৰত মাতাৰ জয় বুলি কয়, বন্দে মাতম সম্পূৰ্ণকৈ যদি গায়, তাত আপত্তি কৰিবলৈ একো নাই। আমাৰ সমস্যাটো হ'ল- য'ত লাভ জেহাদ হয়, ( নপৃষ্ঠাত চাওক)

# প্ৰশাসনত ব্যাপক ৰদ-বদল

ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম চৰকাৰৰ প্ৰশাসনিক বিভাগত বৃহৎ সালসলনি। একেদিনাই ৭খন জিলাত নিযুক্তি দিছে নতুন আয়ুক্ত। কৰ্মচাৰী বিভাগে এক নিৰ্দেশযোগে এই জিলাকেইখন নতুন আয়ুক্ত নিযুক্তি দিছে। এই জিলাকেইখন হ'ল- বজালী, লখিমপুৰ, পশ্চিম কাৰ্বি আংলং, দৰং, গোলাঘাট, বাক্সা আৰু চিৰাং। গৃহ ৰাজনৈতিক বিভাগৰ আয়ুক্ত-সচিব পাৰ্থ প্ৰতিম মজুমদাৰক বজালীৰ জিলা আয়ুক্তৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ অতিৰিক্ত সচিব আদিত্য বিক্ৰম যাদৱ হ'ব লখিমপুৰৰ নতুন জিলা আয়ুক্ত। পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে সাধাৰণ প্ৰশাসন বিভাগৰ যুটীয়া সচিব প্ৰীতি কুমাৰীক। বিত্ত বিভাগৰ যুটীয়া সচিব আয়ুশী জৈনক দৰঙৰ জিলা আয়ুক্ত পদলৈ বদলি কৰা হৈছে। দৰঙৰ বৰ্তমানৰ জিলা আয়ুক্ত পূৰালী গোহাঁইক একে ( নপৃষ্ঠাত চাওক)

# মিচিং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত নামনি মাজুলীৰ ২ নং বৰগঞাত মুৰংঘৰ নিৰ্মাণ শুভাৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- মিচিং স্বায়িত্ব শাসিত পৰিষদৰ চুনং লোহিত পৰিষদীয় সমষ্টি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ উন্নয়ন পুজিৰ ১০ লাখ টকাৰ আৰ্থিক সাহায্যৰে আজি নামনি মাজুলীৰ ২ নং বৰগঞাৰ পামে চুবুৰীত মুৰং ঘৰ নিৰ্মাণ শুভাৰম্ভ কৰা হয়। আজি মিচিং জনগোষ্ঠীৰ পৰম্পৰা অনুসৰি চন্দ্ৰ -সূৰ্যক প্ৰাৰ্থনা কৰি উক্ত মুৰংঘৰৰ লাইখুঁটা স্থাপন কৰে ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰন সদস্য মুকুল পেগুয়ে। অনুষ্ঠানত বস্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক কনকেশ্বৰ পামেগামে। উক্ত, শুভাৰম্ভ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে টি এম পি কে'ৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক হৰেন নৰহ, ৮২ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱ টাকো, খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল পামে গাম, জ্যেষ্ঠ নাগৰিক কনকেশ্বৰ পামে গাম, গিৰিদেৱ পামে গাম, ৱাৰ্ড সদস্যা পিংকু টাকু আৰু গাওঁৰ গন্য মান্য ব্যক্তিসকল। শুভাৰম্ভ অনুষ্ঠানটিৰ আঁত ধৰে যুৱ সমাজকৰ্মী সত্যেন্দ্ৰ নাথ পামে গামে। ২নং বৰগঞা পামে ( নপৃষ্ঠাত চাওক)

# বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ বিদায়ী সভা



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অধীনৰ বংশৰ মণ্ডল সমল কেন্দ্ৰৰ বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ত পঞ্চম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ বিদায়ী সভা খন অনুষ্ঠিত হয়। বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কন্দৰ্প বৈশ্যৰ সভাপতিত্বত সভা খন অনুষ্ঠিত হয়। প্ৰতিষ্ঠাপক প্ৰধান ( নপৃষ্ঠাত চাওক)

# নাৰী দিৱস, নাৰীবাদ আৰু মই

ময়ূৰী বৰগোহাঁই
শিৱসাগৰ



"অস্তিত্ব পূৰ্বগামী, সত্তা পশ্চাৎগামী -
কিন্তু যি সত্তা নিজেই নিজৰ অস্তিত্বক
প্ৰশ্ন কৰিব পাৰে, সিহে প্ৰকৃত অৰ্থত জীৱন্ত ।"

এনে কিছুমান মুহূৰ্ত আহে - যেতিয়া ভাষা থমকি ৰয়, বাক্য নিঃশব্দ হৈ পৰে, আৰু অৰ্থৰ সন্ধানত চিন্তাশীল সত্তাটো নিজেই এক অতলস্পৰ্শী নীৰৱতাৰ সন্মুখত অসহায় হৈ দাঁতিয়ে থাকে।নাৰী দিৱসৰ কথা কওঁতে, নাৰীবাদৰ দৰ্শন আলোচনা কৰোঁতে, আৰু এই সমগ্ৰ ব্যাপ্তিত "মই" বুলি এক সুনিৰ্দিষ্ট অস্তিত্বক স্থাপন কৰোঁতে, তেনে এক নীৰৱতাই মোক প্ৰথমে আচ্ছন্ন কৰে।

কাৰণ নাৰীৰ কথা কোৱাটো কেৱল এটি সামাজিক বিষয়ৰ পৰ্যালোচনা নহয়, ই এক সভ্যতাৰ আত্মপৰীক্ষা, এক প্ৰজাতিৰ নৈতিক বিবৰ্তনৰ মূল্যায়ন, আৰু সৰ্বোপৰি আৰু অস্তিত্বৰ অধিকাৰৰ প্ৰশ্নক পুনৰ সংজ্ঞায়িত কৰাৰ এক দুঃসাহসিক প্ৰচেষ্টা। আৰু তেতিয়াই এই নীৰৱতাক ভাঙিবলৈ কলম তুলি লোৱাটো অপৰিহাৰ্য হৈ পৰে।

ইতিহাস এক জীৱন্ত নথিপত্ৰ। কিন্তু যি ইতিহাস লিখিত হৈছে তাৰ অধিকাংশই পুৰুষৰ হাতেৰে, পুৰুষৰ দৃষ্টিভংগীৰে, পুৰুষৰ স্বাৰ্থত লিখিত।এই ইতিহাসৰ পাতসমূহত নাৰী আছে - কিন্তু প্ৰায়শঃ পাৰ্শ্বচৰিত্ৰ হিচাপে, ফুটনোট হিচাপে, কোনো মহাপুৰুষৰ অনুপ্ৰেৰণা হিচাপে, কাৰোবাৰ মাতৃ অথবা পত্নী হিচাপে। নাৰী নিজেই কোনো পৰ্বৰ নায়িকা, এই স্বীকৃতি ইতিহাসৰ পাঠ্যক্ৰমত অতি দুৰ্লভ।

তথাপিও, সেই পাঠ্যক্ৰমৰ ফাঁকত যি অগ্নিস্ফুলিঙ্গ লুকাই আছে, তাক যি ক্ষণত উন্মোচন কৰা যায়, তেতিয়া উপলব্ধি হয় - নাৰী কেতিয়াও নিষ্ক্ৰিয় নাছিল। সদায়েই বিদ্ৰোহী আছিল, সদায়েই সৃষ্টিশীল আছিল, কেৱল সেই সৃষ্টি আৰু বিদ্ৰোহৰ ভাষাটোক ক্ষমতাৰ বাগিচাত ক্ৰমাগত আতৰাই পেলোৱা হৈছিল।

বিংশ শতাব্দীৰ প্ৰথম উষালগ্নত, যেতিয়া শিল্পসভ্যতাৰ দ্ৰুত চাকসমূহ নাৰীৰ শৰীৰ আৰু শ্ৰমকো নিষ্ঠুৰভাৱে পিড়ি গৈছিল, তেতিয়া এক অভূতপূৰ্ব চেতনাৰ উদয় হৈছিল। সৰ্বহাৰাৰ বেদনা আৰু নাৰীসত্তাৰ অপমান একত্ৰিত হৈ এক অগ্নিময় শক্তিৰ সৃষ্টি কৰিছিল। ১৯০৮ চনৰ নিউয়ৰ্কৰ শীতল ৰাজপথত সেই উত্তাপ প্ৰথম অনুভূত হৈছিল হাজাৰ হাজাৰ নাৰী-কণ্ঠৰ একত্ৰিত গৰ্জনত, যি গৰ্জন কেৱল মজুৰি বা ভোটৰ দাবী নাছিল - সেই গৰ্জনৰ মূলতে আছিল এক মহত্বৰ প্ৰশ্ন : "আমাৰ মানৱীয় অস্তিত্বক তোমালোকে স্বীকাৰ কৰিবানে?"

ক্লাৰা জেটকিনৰ অদম্য সংকল্প, ৰোজা লাক্সেমবাৰ্গৰ বিপ্লৱী বৌদ্ধিকতা, বেগম ৰোকেয়াৰ স্বপ্নদ্ৰষ্টা কলম - এই সকলো শক্তিধাৰাই একত্ৰিত হৈ এক আন্তৰ্জাতিক আন্দোলনৰ ভেটি নিৰ্মাণ কৰিছিল। আৰু সেই ভেটিৰ প্ৰতিটো শিলখণ্ড আচলতে ত্যাগ আৰু সংগ্ৰামৰ স্মৃতিমিনাৰ।

ভাৰতীয় উপমহাদেশলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় এক ভিন্নতৰ কিন্তু সমানভাৱে গৌৰৱময় ইতিহাস। মীৰাবাইৰ ভক্তিৰ ভিতৰতো এক মৌলিক নাৰীবাদী বিদ্ৰোহ আছিল কাৰণ তেওঁ প্ৰেম আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত স্বামী, শ্বশুৰকুল আৰু ৰাজতন্ত্ৰৰ আধিপত্যক অস্বীকাৰ কৰিছিল। গাৰ্গী আৰু মৈত্ৰেয়ীৰ বৈদিক বিতৰ্কত নাৰীৰ বৌদ্ধিক সাৰ্বভৌমত্বৰ প্ৰাচীনতম স্বাক্ষৰ আছে।

অসমৰ মাটিত এই আলোকশিখা আৰু উজ্জ্বল। কনকলতা বৰুৱাৰ সেই অমৰ মুহূৰ্তটোক কেৱল দেশপ্ৰেমৰ প্ৰতীক হিচাপে পাঠ কৰাটো অপৰ্যাপ্ত। সেই মুহূৰ্তত এজন যুৱতীয়ে ঘোষণা কৰিছিল - নাৰীদেহ কোনো বাধা নহয়, নাৰীসত্তা কোনো সীমাৰেখা নহয়, মৃত্যুভয়ৰ চেহেলীও নাৰীৰ আগুৱাই যোৱাৰ পথত অন্তৰায় হ'ব নোৱাৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিনেমাত, বিষ্ণুৰাভাৰ নৃত্যত নাৰীক যি মৰ্যাদাৰে উপস্থাপন কৰা হৈছিল, তাতো এক অগ্ৰগামী চেতনাৰ স্পৰ্শ আছিল।

নাৰীবাদ কোনো সৰল মতবাদ নহয় যাক এটি বাক্যত সংজ্ঞায়িত কৰা সম্ভৱ। ই এক জীৱন্ত, শ্বাসপ্ৰশ্বাসী বৌদ্ধিক আন্দোলন, যি প্ৰতিটো যুগত নিজকে পুনৰ্নিৰ্মাণ কৰি আহিছে, নিজৰ সীমাবদ্ধতাক স্বীকাৰ কৰি আৰু অতিক্ৰম কৰি। ইয়াক বুজিবলৈ হ'লে দাৰ্শনিক গভীৰতাৰে ইয়াৰ স্তৰসমূহ অনুধাৱন কৰিব লাগিব।

চাইমন দ্য বোভোয়াৰৰ "দ্য চেকেণ্ড চেক্স"(১৯৪৯) নাৰীবাদী দৰ্শনৰ এক ভূমিকম্প। বোভোয়াৰৰ সেই বিখ্যাত উদ্বোধনী বচন - "নাৰী জন্ম নহয়, নিৰ্মিত হয়" - ই কেৱল এটি সাহিত্যিক উক্তি নহয়, ই এক গভীৰ অস্তিত্ববাদী দাবী। চাৰ্ত্ৰৰ ধাৰণাক সম্প্ৰসাৰিত কৰি বোভোয়াৰে দেখুৱাইছিল যে নাৰীক ইতিহাস জুৰি "অপৰ" (The Other) হিচাপে সংজ্ঞায়িত কৰা হৈছে - পুৰুষ হ'ল বিষয়ী (Subject), নাৰী হ'ল বিষয় (Object)। এই দ্বন্দ্বই নাৰীক তাইৰ নিজস্ব অস্তিত্বৰ পৰিপূৰ্ণ অনুভূতিৰ পৰা বঞ্চিত কৰি ৰাখে।

ইমানুৱেল কাণ্টৰ বিখ্যাত নৈতিক আদৰ্শ "মানুহক কেতিয়াও কেৱল উপায় হিচাপে ব্যৱহাৰ নকৰিবা, সৰ্বদা লক্ষ্য হিচাপে গণ্য কৰিবা" - এই আদৰ্শৰ সৈতে নাৰীবাদৰ সংযোগ অতি গভীৰ। পুৰুষতান্ত্ৰিক সভ্যতাই যুগে যুগে নাৰীক উপায় হিচাপেই ব্যৱহাৰ কৰি আহিছে - সন্তান উৎপাদনৰ জৈৱিক উপকৰণ হিচাপে, গৃহস্থালিৰ অবৈতনিক শ্ৰমিক হিচাপে, যৌনতাৰ ভোগ্যবস্তু হিচাপে, পুৰুষৰ সামাজিক মৰ্যাদাৰ প্ৰতীক হিচাপে। নাৰীবাদ এই কাণ্টীয় অপমানৰ বিৰুদ্ধে এক দাৰ্শনিক অভিযোগনামা।

কিম্বেৰলে ক্ৰেনশ্বৰৰ এই তত্ত্বই নাৰীবাদী চিন্তাধাৰাত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। নাৰীত্ব কোনো একাকী, অভেদ্য সত্তা নহয় - ইয়াক নিৰ্মাণ কৰে বৰ্ণ, শ্ৰেণী, জাতি, ধৰ্ম, যৌনতা, প্ৰতিবন্ধকতা, ভৌগোলিক অৱস্থান আদি অনেক পৰিচয়ৰ সম্মিলিত দ্বন্দ্ব। এজন উচ্চবৰ্ণীয় নগৰীয়া নাৰীৰ অভিজ্ঞতা আৰু এজন দলিত গ্ৰামীণ নাৰীৰ অভিজ্ঞতা সম্পূৰ্ণ পৃথক - এই পাৰ্থক্যক অস্বীকাৰ কৰা নাৰীবাদ আচলতে এক আংশিক, অসম্পূৰ্ণ নাৰীবাদ।

নেল নোডিংছ আৰু ক্যাৰল গিলিগান প্ৰতিষ্ঠিত "কেয়াৰ এথিক" বা যত্নৰ নৈতিকতাই দাৰ্শনিক প্ৰশ্ন কৰিছে - মানৰ নীতিশাস্ত্ৰত ন্যায়ৰ ধাৰণা কিয় যত্নৰ ধাৰণাতকৈ উচ্চস্থান পাই? কিয় বিমূৰ্ত নিয়মকেন্দ্ৰিক নৈতিকতাই সৰ্বোচ্চ নৈতিক আদৰ্শ বুলি বিবেচিত হয়, আৰু সম্পৰ্ককেন্দ্ৰিক, যত্নকেন্দ্ৰিক নৈতিকতাক গৌণ বুলি ধৰা হয়? এই প্ৰশ্নৰ উত্তৰত লুকাই আছে পুৰুষতান্ত্ৰিক জ্ঞানতত্ত্বৰ এক মৌলিক পক্ষপাত।

ডেকাৰ্টৰ সেই অমৰ উক্তি "Cogito, ergo sum" - মই চিন্তা কৰোঁ, সেয়েহে মই আছোঁ। কিন্তু নাৰীবাদ এই সূত্ৰটোক আৰু গভীৰ এক স্তৰত পৰীক্ষা কৰিবলৈ আমাক আহ্বান জনায় - যেতিয়া সমাজে, সংস্কৃতিয়ে, পৰিয়ালে, ধৰ্মে মিলিত হৈ এজন নাৰীৰ চিন্তাৰ পৰিসীমা নিৰ্ধাৰণ কৰি দিয়ে, তেতিয়া সেই "মই চিন্তা কৰোঁ" কথাষাৰৰ স্বাধীনতা ক'ত প্ৰামাণিক?

এই "মই" শব্দটো উচ্চাৰণ কৰিবলৈ হ'লে প্ৰথমে এক মুক্তি আৱশ্যক - বাহ্যিক কৰ্তৃত্বৰ পৰা মুক্তি, আৰোপিত পৰিচয়ৰ পৰা মুক্তি, "তুমি কি হ'ব লাগে" ৰ সামাজিক আদেশৰ পৰা মুক্তি। এই মুক্তিয়েই নাৰীবাদৰ মূল উপহাৰ।

কেৱল হেনিচৰ সেই বিপ্লৱী ঘোষণা - "ব্যক্তিগতটোৱেই ৰাজনৈতিক" - এই বচনটোৱে দাৰ্শনিক জগতত এক ভূমিকম্প ঘটাইছিল। কাৰণ ই প্ৰকাশ্য আৰু ব্যক্তিগতৰ মাজত, ৰাষ্ট্ৰীয় আৰু পাৰিবাৰিকৰ মাজত, মহৎ আৰু সাধাৰণৰ মাজত থকা কৃত্ৰিম বিভাজনখনক ধ্বংস কৰি দিছিল। যি নাৰীটো ৰাতিপুৱা পৰিয়ালৰ সকলোৰে বাবে জলপান প্ৰস্তুত কৰে, কিন্তু নিজৰ স্বাস্থ্যৰ কথা অন্তিমত ভাৱে - তাইৰ সেই দৈনন্দিন অভিজ্ঞতাটোও এক ৰাজনৈতিক কাহিনী। সেই কাহিনীক ৰাজনৈতিক বুলি চিনাক্ত কৰিব পৰাটোৱেই নাৰীবাদী সচেতনতাৰ প্ৰথম পদক্ষেপ।

মোৰ ব্যক্তিগত জীৱনৰ কথা যেতিয়া ভাবোঁ, তেতিয়া বুজি পাওঁ - নাৰীবাদী দৰ্শনে মোক সবাতোকৈ ডাঙৰ যি শিক্ষা দিছে, সি হ'ল নিজৰ কথা "মই" বুলি কোৱাৰ অধিকাৰ।

**আগলৈ...**

## ধূলিয়ৰি ফাগুন

**প্ৰভাত বণিয়া**



ধূলি ধূলিয়ৰি
বাট-ঘাট ভৰাই তোলা
মতলীয়া ফাগুন
কিনো লহৰ তুলিলা কপি উঠিল
বন-বননি
মোৰ প্ৰেমিক বুকু
হালিছে জালিছে
ৰঙা ৰঙা পলাশ, মদাৰ, শিমলু ফুল
চঞ্চলা চপলা ফুলতি ফাগুন
পাহৰণিৰ ডাঠ আৱৰণ ফালি
জীপাল কৰিলা মোক
ৰ'দঘাই নিৰন্ন পদুলি মোৰ
সুপ্ৰভ গুণ গুণ গান
আকৌ এবাৰ উন্মনা হলো
বাকি দিয়া স্মৃতিৰ সুবাস
হে প্ৰিয়তমা ফাগুন
মই তোমাক বৰ ভাল পাওঁ।

# ৮মাৰ্চ নাৰী দিৱস আৰু নাৰীৰ জনজাগৰণ



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

৮মাৰ্চ গোটেই বিশ্বতে নাৰী দিৱস পালন কৰা হয়। ১৯০৮চনত নিউয়ৰ্কৰ সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে আয়োজিত কৰা নাৰী সমাবেশত জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটকিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুস্থিত কৰা হৈছি। ১৯১০চনত আকৌ দ্বিতীয়খন সন্মিলন অনুস্থিত কৰা হয়। ক্লাৰা জেটকিনে ৮মাৰ্চ তাৰিখটো প্ৰতি বছৰে অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়ে। তেতিয়াৰ পৰা সেই দিনটো নাৰী দিৱস হিচাপে পালন কৰি আহিছে। ইয়াৰ উদ্দেশ্য হ'ল নাৰী সকলৰ সুৰক্ষা, সম মৰ্য্যাদা আদি প্ৰদান কৰা।

আমাৰ ভাৰতবৰ্ষত নাৰীক দেৱীৰ লগত তুলনা কৰে আৰু ভাৰতবৰ্ষতে সময় সাপেক্ষে নাৰী লাঞ্ছিত-বঞ্চিত হৈও আহিছে। নাৰী হ'ল মাতৃ/ভগ্নী/ বাইদেউ /পেহি বিভিন্ন সম্পৰ্কৰ এনাজৰী। আমি জানোঁ ঐতিহাসিক যুগৰ পৰাই সকলো নাৰীক দেৱী দৰেই যথেষ্ট সন্মান কৰে, ধৰ্মই মানুহক নিয়মানুবৰ্তীতাৰে চলিব শিকাই। কিন্তু অন্ধ বিশ্বাস আৰু কু-সংস্কাৰে এখন সমাজ অন্ধকাৰ দিশলৈ গতি কৰে। ভাৰতবৰ্ষ বৈদিক যুগৰ পৰাই এক ৰক্ষণশীল দেশ। বিভিন্ন ভাষা আচাৰ ব্যৱহাৰ ঐনক্যৰ মাজত ঐক্য হিচাপে গোটেই বিশ্বতে পৰিচিত। গতিকে ভাৰতবৰ্ষৰ এক বিশেষ স্থান আছে গোটেই বিশ্বত।

আমাৰ ভাৰতবৰ্ষৰ নাৰীসকল শক্তিশালী সমাজ তথা পৰিয়ালৰ কাৰণে যথেষ্ট কষ্ট ত্যাগ কৰে কিন্তু তথাপিও যেন তেওঁলোক সকলো ফালৰ পৰাই বঞ্চিত। আমাৰ ভাৰতবৰ্ষত দেৱী-দেৱীক পূজা অৰ্চনা কৰে আনফালে সেই দেশৰ নাৰীসমাজ পদে পদে লাঞ্ছিত ধৰ্ষণ আদিৰ স্বীকাৰ হয়। মাতৃশক্তিক শক্তিমান হিচাপে যদি হৃদয়ত ঠাই পাই এয়া নহ'লহেঁতেন। আমি ধৰ্মীয় গ্ৰন্থত পাইছোঁ দেৱীয়ে পৃথিৱীত শান্তি স্থাপন কৰাৰ কাৰণে ধৰালৈ বিভিন্ন ৰূপত আহিছিল আৰু অসুৰবোৰক বধ কৰিছিল। ঠিক তেনেকৈ নাৰী সকলে নিজক সুৰক্ষিত কৰিবলৈ আত্মৰক্ষাৰ কৌশল শিকিব লাগিব।

নাৰীসকলে ঘৰতে হওক বা বাহিৰত সকলো দায়িত্ব পালন কৰিবই লাগিব কিন্তু সেই দায়িত্ব পালন কৰোতে বিভিন্ন অসুবিধাৰ সন্মুখীন হৈ আহিছে। গতিকে সকলো ফালে নিজকে চম্ভালিব লগা হয়। কৰ্মই ধৰ্ম, কৰ্ম কৰিবই লাগিব কিন্তু নিজক সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব আমাৰ আছে।

বাতৰিকাকত, টেলিভিছন, ম'বাইলতো চালেই দেখোঁ সদায় এগৰাকী হ'লেও নাৰী নিৰ্যাতন, ধৰ্ষণ হত্যা ইত্যাদি বিভিন্ন ঘটনাবোৰ সংঘটিত হৈ থাকে, মন সেমেকি যায়।

অৰ্ধ আকাশৰ লগত তুলনা কৰা নাৰীক আত্ম ৰক্ষাৰ বাবে শাৰিৰীক আৰু মানসিকজ্ঞানৰ প্ৰয়োজন। বিশেষকৈ আমাৰ ভাৰতবৰ্ষৰ দৰে অনুন্নত ৰাষ্ট্ৰত অতি প্ৰয়োজন। কাৰণ আমাৰ প্ৰায় ভাগ পিতৃ-মাতৃ অশিক্ষিত। তেওঁলোকে সন্তান সকলক কিছুমান ঘৰুৱা শিক্ষা ভালদৰে দিব নোৱাৰে, সেই কাৰণে বিদ্যালয়ত আত্মৰক্ষা আদিৰ বিষয় অন্তৰ্ভুক্ত কৰা খুবেই জৰুৰী। নহ'লে নাবালিকা বহুত ছোৱালী মাতৃত্বৰ বোজা বহন কৰিব লাগিব বা দুই এটা ঘটনা গণমাধ্যমত দেখিবলৈ পাইছোঁ।

গতিকে চৰকাৰে গুৰুত্ব সহকাৰে বিদ্যালয়ত অন্তৰ্ভুক্ত কৰিব লাগে। শাৰীৰিক আৰু মানসিক দুয়োটা বিষয় জঞ্জতি কৰিব লাগে পাঠ্যক্ৰমত। এই ক্ষেত্ৰত সমাজ আৰু চৰকাৰ আৰু প্ৰতিটো পৰিয়ালে কিছুমান দিশ নিৰীক্ষণ কৰিব লাগিব। গুৰুত্বপূৰ্ণ কেইটামান দিশ --

১) ডেনড্ৰাইট আদিৰ দৰে বিভিন্ন নিচাৰ জাতীয় বস্তুৰ প্ৰতি আসক্তিৰ একাংশ ব্যক্তিয়ে এই ৰেপৰ দৰে জঘন্য কাণ্ডত জড়িত হয়।
২) যুৱচামৰ একাধিক প্ৰতিশোধ পৰায়ন মনোভাৱ।
৩)ঘৰৰ বাতাবৰণ, কিছু অভিভাৱকৰ এজনে আনজনৰ প্ৰতিঞ্জ দ্ধাশীল মনোভাৱৰ অভাৱ যাৰ কাৰণে ঘৰৰ বিশৃংখল পৰিবেশ, সৰুৰে পৰা সিহতৰ কোমল মনত মানসিক ভাৱে ভাঙি পৰে, বিপথে পৰিচালিত হয়।
৪) মানসিক বিকাৰ গ্ৰস্ত এচাম।
৫) সংগ দোষ।
৬) অভিভাৱকে সন্তানক লাগ বুলিলেই সকলো মুখৰ আগত দাঙি ধৰা, পিছত ডাঙৰ হৈ সিহঁতে যদি নাপায় আক্ৰোশ মূলক আৰু জেদি হৈ পৰে যিকোনো ক্ষেত্ৰত।
৭) পুত্ৰ সন্তানক অগ্ৰাধিকাৰ বেছি পাই, অভিভাৱকে সিহঁতৰ সৰু সৰু ভুল বোৰ আওকাণ কৰিলে, পিছত কনট্ৰোল কৰিব নোৱাৰে।
৮) উচতনি মূলক মন্তব্য।
৯) চৰকাৰৰ আইনৰ গতি লেহেমীয়া যাৰ কাৰণে এই জঘন্য অপৰাধীৰ সাহস বাঞ্জয়ায়।
১০) তাতোকৈ ডাঙৰ কথা সিহঁতক ৰক্ষাৰ কবচো বিছাৰি পায়।

এইবোৰে ক্ষতি সাধন কৰে গতিকে চৰকাৰ, সমাজ, পৰিয়াল সকলোৰে প্ৰচেষ্টা লাগিব। তেতিয়াহে নাৰী সুৰক্ষিত হ'ব পাৰে।

আন এটা গুৰুত্বপূৰ্ণ দিশ কন্যা সন্তানক সৰুৰে পৰা স্বাৱলম্বী হিচাপে গঞ্জতুলিব পৰা শিক্ষা প্ৰদান কৰিব লাগিব। কাৰণ ছোৱালী জনীক বিয়া দিয়াৰ পিছত যদি স্বামীৰ ঘৰখনৰ পৰা অসুবিধা পাই আৰ্থিক ভাৱে স্বাৱলম্বী হ'লে, তেতিয়া স্বামীৰ পৰা বিচ্ছেদ হ'লেও তাই নিজৰ জীৱনটো ভালদৰে অতিবাহিত কৰিব পাৰিব। স্বাৱলম্বী হ'লে ছোৱালী জনীয়ে নিজকে সুৰক্ষিত অনুভৱ কৰে, মিতব্যয়ী সামাজিক দায়বদ্ধতা আদি ভালদৰে বুজিব পাৰে। আৰ্থিক অভাৱ থকা ঘৰ এখনত স্বাৱলম্বী কন্যা সন্তান এজনী আগমনে পৰিয়ালটো যথেষ্ট সকাহ পায়। সেই কাৰণে কন্যা সন্তানক পঢ়া শুনাই বিভিন্ন স্বাৱলম্বী হোৱাৰ উপযুক্ত শিক্ষা দিয়াৰ পিছততহে বিয়াৰ কথা অভিভাৱক সকলে ভাবিব লাগে। তেতিয়া অভিভাৱক সকল কন্যা সন্তানটোৰ প্ৰতি যি চিন্তা থাকে তাৰ পৰা অলপ হ'লেও সকাহ পাব।

আগলৈ...


## স্বৰবৰ্ণৰ মেলা




**ৰিমী হাজৰিকা**

অকনমাণি মইনা জনী অকনমাণি মন।
আইতাকৰ কথা শুনি তাই কৰে ৰং।।
ইকৰা কাঠিৰে তাই বালি ঘৰ সাজে।
আইতাকৰ লগত গৈ ঈশ্বৰক প্ৰাৰ্থনা কৰে।।
উটৰ সাধু শুনিবলৈ বৰ ভাল পায়।
ঊনৰ চোলা পিন্ধি তাই ফুৰিবলৈ যায়।।
ঋতুৰাজ বসন্তত হাতত জেতুকা সানে।
ঋষি মুনিৰ ছবি তাই মনে মনে আঁকে।।
এৰা গছৰ গুটি আনি বালি ঘৰত ৰাখে।।
ঐৰাৱটৰ কথা শুনি চাবলৈ জাপ মাৰে।।
ওল কচু ঔ টেঙা খাই মজা পায়।
আইতাকৰ সাধু শুনি টোপনি যায়।।

# সমাজ গঢ়াত নাৰীৰ অৱদান



**ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও**

সমাজৰ উন্নতি আৰু বিকাশত নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। প্ৰাচীন কালৰ পৰা আজিলৈকে নাৰীয়ে বিভিন্ন ক্ষেত্ৰত নিজৰ শক্তি, ধৈৰ্য আৰু প্ৰতিভা প্ৰদৰ্শন কৰি আহিছে। ঘৰৰ ভিতৰত মাক, ভনী বা পত্নী হিচাপে নাৰীয়ে পৰিয়ালৰ যত্ন লয় আৰু সমাজত শিক্ষিকা, চিকিৎসক, বিজ্ঞানী, লেখিকা আদি ৰূপত সমাজৰ উন্নয়নত অৱদান আগবঢ়ায়।

আগতে নাৰীসকলক বহু সীমাবদ্ধতাৰ মাজত থাকিব লগা হৈছিল। কিন্তু সময়ৰ লগে লগে শিক্ষাৰ প্ৰসাৰ আৰু সমাজৰ চিন্তাধাৰাৰ পৰিৱৰ্তনৰ ফলত নাৰীয়ে নিজৰ অধিকাৰ আৰু সন্মান লাভ কৰিবলৈ আৰম্ভ কৰিছে। আজি নাৰীয়ে ৰাজনীতি, বিজ্ঞান, খেলাধূলা আৰু সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে।

প্ৰতিটো সমাজৰ উন্নতিৰ বাবে নাৰী আৰু পুৰুষ দুয়োৰে সমান সহযোগিতা প্ৰয়োজন। নাৰীৰ সন্মান, শিক্ষা আৰু স্বাধীনতা নিশ্চিত কৰিলে সমাজো অধিক শক্তিশালী আৰু উন্নত হয়। সেয়েহে আমি সকলোয়ে নাৰীক সন্মান কৰা উচিত আৰু তেওঁলোকৰ অধিকাৰ ৰক্ষা কৰাত আগবাঢ়ি আহা উচিত।

আন্তৰ্জাতিক নাৰী দিৱস হৈছে নাৰীসকলৰ অৱদান আৰু সংগ্ৰামক স্মৰণ কৰাৰ এটা বিশেষ দিন। এই দিনটোত আমি নাৰীৰ শক্তি, সাহস আৰু সাফল্যক সন্মান জনাওঁ আৰু এক সমান অধিকাৰ আৰু সুযোগ থকা সমাজ গঢ়াৰ সংকল্প লওঁ।

**JANASANYOG- 4779-/25/8-March-26**

সত্যমেৱ জয়তে
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ



# খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ

# অন্ন সেৱা দিন

১ - ১০ মাৰ্চ ২০২৬



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে
বিনামূলীয়া চাউলৰ লগতে বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী

## 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা'ৰ অধীনত বিনামূলীয়া চাউল

- 'অন্ত্যোদয়া অন্ন যোজনা'ৰ অধীনস্থ প্ৰতিটো পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল
- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল

## প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ বজাৰতকৈ সুলভ মূল্যত ১ কিঃগ্ৰাঃ কৈ খাদ্য-সামগ্ৰী

- মচুৰ দাইল: ৬০ টকা (প্ৰতি কিঃগ্ৰাঃ)
- চেনি: ৩০ টকা (প্ৰতি কিঃগ্ৰাঃ)
- নিমখ: ১০ টকা (প্ৰতি কিঃগ্ৰাঃ)

উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৭০ লাখ+

### সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ আৰু সজাগতা সৃষ্টি
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- গ্ৰাহকে লাভ কৰা সামগ্ৰীৰ বিপৰীতে e-POS মেচিনৰ ৰচিদ প্ৰদান

### গ্ৰাহকলৈ আহ্বান

- নিৰ্ধাৰিত মূল্যতকৈ কোনো কাৰণতেই অধিক টকা পৰিশোধ নকৰিব
- প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক পৃথককৈ e-POS মেচিনৰ জৰিয়তে বায়'মেট্ৰিক প্ৰমাণীকৰণ জৰুৰী
- সামগ্ৰী সংগ্ৰহৰ বিপৰীতে e-POS মেচিনসৃষ্ট ৰচিদ গ্ৰহণ কৰিবলৈ নাপাহৰিব

যিকোনো অভিযোগৰ ক্ষেত্ৰত জিলা/সমজিলা/মহকুমাৰ বিভাগীয় কৰ্তৃপক্ষ অথবা টোল ফ্ৰী নম্বৰ:
১৮০০-৩৪৫-৩৬১১ আৰু ১৯৬৭ (BSNL গ্ৰাহক)ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক


অণুগল্প

# জলকীয়া




দুদিনীয়াকৈ পৰা উৎসৱৰ বাবে বৰ অসুবিধা হয়... কোনদিনানো কি হ'ব তং কৰিবই নোৱাৰি, এইবাৰ আকৌ দিনটো খোকোজা নলগাকৈ গম পোৱা গ'ল.. নহ'লে আকৌ নিচিনা আবিৰ চকু মুখত পৰিলে চেৰেককৈ পোৱনি এটা আৰম্ভণি হয়য়ে...

# ফাগুন



গছে বনে, ফলে ফুলে ফাগুনৰ ৰং লাগিছে, ফাগুনৰ বতাহজাকে চুই গৈছে আমাৰ মন। চৌপাশে ডালভৰি ফুলিছে পলাশ, মদাৰ, শিমলু। আনফালে প্ৰকৃতিৰ প্ৰেমৰ বতৰা লৈ আহিছে ফাগুণে। সকলোৰে বাবে প্ৰিয় এই মতলীয়া ফাগুনৰ বা লাগিছে। ফাগুনক লৈ যেন সকলোৱে নিজৰ নিজৰ কথাৰে ক'ত সৃষ্টিৰ বৰষুণ। সেইবোৰ একো একোটা বিশেষ অঞ্চলৰ বিভিন্ন বাৰ্তাৰ সমাহাৰ। য'ত ফাগুন, পলাশৰ প্ৰকৃতিৰ ৰং বিলাই।

**বিশ্বজিৎ বৈশ্য,বংশৰ, শুৱালকুছি**

# জীৱনৰ আদি পাঠ



অক্লান্ত ভাগৰুৱা জয়াল নিশা পথৰ যাত্ৰী তাই। মৃত্যু নামৰ নিভাঁজ শব্দটিয়ে নিৰ্লিপ্ত হৈ থাকে বুকুৰ কাষত! দুৰ্গম পথৰ সহচৰে স্মৃতিৰ একাঞ্জলী মৰম ভালপোৱাবোৰ দুচকুৰে বৈ অশ্ৰুৰ ধাৰা।

**যমুনা দুলু বৈশ্য, শুৱালকুছি**

# চাহ-শ্ৰমিকৰ দুৰ্দশা আৰু মুখ্যমন্ত্ৰীৰ

‘ Û ¿é Â ß Á¿ù , ð Â̤é Â Âó ±î Á Õ ÞÄä Á¿ò

**যোৱাখণ্ডৰ পৰা...**



**দ্বীপেন বৰুৱা**

এই আঁচনিখনে চাহ-শ্ৰমিক সমাজৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। ইয়াৰ জৰিয়তে চাহ-বাগিছাৰ শ্ৰমিক পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ত নিয়মিতভাৱে উপস্থিত থাকিবলৈ উৎসাহিত কৰা হৈছে। আঁচনিখনৰ গুৰুত্ব এইখিনিতেই নিহিত যে ই কেৱল বৰ্তমান সময়ৰ সমস্যাৰ তাৎক্ষণিক সমাধানত সীমাবদ্ধ নহয়; বৰং শিক্ষাৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ এক সুদূৰপ্ৰসাৰী পথ মুকলি কৰা যেন অনুভৱ হৈছে। ইয়াৰ লগতে অন্যান্য বহুতো শিক্ষা-সম্পৰ্কীয় কাৰ্যসূচী আৰু কল্যাণমূলক আঁচনি ৰূপায়ন কৰি চাহ- শ্ৰমিকৰ সন্তানসকলক বিদ্যালয়ত অধ্যয়ন অব্যাহত ৰাখিবলৈ আৰ্থিক সহায় প্ৰদান কৰি আহিছে। ইয়াৰ ফলস্বৰূপে বহু দৰিদ্ৰ চাহ- শ্ৰমিক পৰিয়ালৰ সন্তানক বাগিছাত শ্ৰম কৰিবলৈ পঠিয়াবলগীয়া পৰিস্থিতিৰ পৰা ওলাই আহিবলৈ কিছু পৰিমাণে হ'লেও সহায় হৈছে। সেয়ে, শিশু শ্ৰম হ্ৰাস আৰু শিক্ষাৰ বিস্তাৰত এই আঁচনিসমূহে ইতিবাচক ভূমিকা পালন কৰিছে বুলি ক'ব পাৰি।


অৱশ্যে “এটি কলি দুটি পাত” আঁচনিখনৰ বাস্তৱ প্ৰাসংগিকতা, প্ৰভাৱ আৰু সীমাবদ্ধতা সন্দৰ্ভত গভীৰ আলোচনা কৰাৰ যথেষ্ট অৱকাশ আছে। আঁচনিখন চাহ-শ্ৰমিক সমাজৰ প্ৰতি অসম চৰকাৰৰ এক ইতিবাচক পদক্ষেপ হিচাপে বিবেচিত হ'লেও, ই চাহ- শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া দুৰ্দশাৰ এক পূৰ্ণ আৰু স্থায়ী সমাধান বুলি ক'ব নোৱাৰি। নগদ ধনৰ এককালীন সহায়ৰ দ্বাৰা চাহ- শ্ৰমিক সমাজৰ দৰিদ্ৰতা সম্পূৰ্ণৰূপে দূৰ কৰা সম্ভৱ নহয়। এই আঁচনিখনত মজুৰি বৃদ্ধি, স্থায়ী নিয়োগৰ সুৰক্ষা, সামাজিক সুৰক্ষা তথা আইনগত অধিকাৰ সুনিশ্চিত কৰাৰ দৰে মৌলিক বিষয়সমূহৰ স্পষ্ট অনুপস্থিতি পৰিলক্ষিত হয়। এই ক্ষেত্ৰত চৰকাৰে অধিক মনোযোগ আৰোপ কৰাৰ প্ৰয়োজন আছে। তদুপৰি, বহু ক্ষেত্ৰত এই আঁচনিখন কল্যাণমূলক ব্যৱস্থাৰ পৰিৱৰ্তে দানমূলক পদক্ষেপ যেন অনুভূত হৈছে, যিয়ে চাহ-শ্ৰমিকসকলক অধিকাৰপ্ৰাপ্ত নাগৰিকৰ পৰিৱৰ্তে অনুগ্ৰহপ্ৰাপ্ত উপভোক্তা ৰূপে উপস্থাপন কৰিছে। ইয়াৰ উপৰিও, অসমৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এই আঁচনিৰ প্ৰচাৰ বৃদ্ধি পোৱাটো ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত যেন সন্দেহ উদ্ৰেক কৰে। সেয়ে, এই আঁচনিখনে যদি গাঁথনি-ভিত্তিক সংস্কাৰ, অধিকাৰভিত্তিক নীতি আৰু দীৰ্ঘম্যাদী উন্নয়ন পৰিকল্পনাৰ সৈতে সুদৃঢ় সংযোগ স্থাপন কৰিব নোৱাৰে, তেন্তে ই চাহ- শ্ৰমিক সমাজৰ বাবে কেৱল এক অস্থায়ী স্বস্তিমূলক ব্যৱস্থা হৈ ৰ'ব।

সামগ্ৰিকভাৱে বিচাৰ কৰিলে, সমালোচনাৰ মাজতো “এটি কলি দুটি পাত” আঁচনিখনৰ কিছুমান ইতিবাচক দিশ অস্বীকাৰ কৰিব নোৱাৰি। চাহ-শ্ৰমিক সমাজক লক্ষ্য কৰি *(বাৰপৃষ্ঠাত চাওক)*

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য

**নিবেদিতা হাজৰিকা, লখিমপুৰ**

**যোৱাখণ্ডৰ পৰা...**



আধুনিক যুগত মাতৃগৰাকীয়ে সন্তানক কেৱল শাৰীৰিক ভাৱে ডাঙৰ -দীঘল কৰিলেইনহ'ব।এইসমূহৰ উপৰিও এজন পূৰ্ণাংগ মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈও প্ৰয়াস কৰিব লাগিব। নিজৰ উন্নত চিন্তা-ধাৰা, ধ্যান-ধাৰণা, অভিজ্ঞতা, নৈতিকতা আদি উন্নত ইতিবাচক চিন্তা-চৰ্চাৰে নিজৰ সন্তানক সু-পথে আগবাঢ়ি যাবলৈ উদ্‌গনি যোগোৱা উচিত, মনোবল বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা উচিত।

উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। সেই কথা মানি মাতৃ গৰাকীয়ে নিজেও এটা সৰল জীৱন যাপন কৰিবলৈ শিকিব লাগে আৰু সন্তানকো সেই শিক্ষা দিব লাগে। সন্তানক কেতিয়াও বস্তুবাদী আৰু আত্মকেন্দ্ৰিক হ'বলৈ শিকোৱা উচিত নহয়।আনৰ সুখত সুখী আৰু আনৰ দুখত দুখী হ'বলৈ অৰ্থাৎ অনুভৱী হ'বলৈ শিকোৱা উচিত। অপ্ৰিয় হ'লেও সত্য যে বহু সন্তানৰ মাজতে আজি-কালি নৈতিকতা, সততা, ভদ্ৰতা, সদাচাৰ, শিষ্টাচাৰ আদিৰ অভাৱ পৰিলক্ষিত হয়। বৰ্তমান সময়ত এই ধৰণৰ আচৰণ সন্তান সকলৰ মাজতবৰ বেয়াকৈ শিপাইছে। সময় থাকোতেই সন্তানক অনুশাসন, শিষ্টাচাৰ আদিৰ দৰে জীৱনৰ গুৰুত্বপূৰ্ণ পাঠ সমূহ শিকাব নোৱাৰিলে বা নিশিকালে বা এই সমূহ আওকাণ কৰিলে সময়ত ইয়াৰ কুফল সকলোৱে ভোগ কৰিব লাগিব। সমাজত এই ধৰণৰ আচৰণে বিশৃখলতাৰ সৃষ্টি কৰাৰ আশংকা নুই কৰিব নোৱাৰি। সেয়ে, সময় হ'লে নিজেই শিকিব - এই ভাব পৰিত্যাগ কৰি মাতৃ গৰাকীয়ে সৰুৰে পৰাই সন্তানক মানৱীয় গুণ সমূহ আয়ত্ব কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু সন্তানৰ বেয়া দেখিলে আওকাণ কৰাৰ পৰিৱৰ্তে এই সমূহ শুদ্ধৰাই দিব লাগে। সন্তানৰ ভালৰ খাতিৰত প্ৰয়োজন হ'লে এই ক্ষেত্ৰত মাতৃ গৰাকী কিছু কঠোৰ হ'ব লগীয়া হ'বও পাৰে বা হোৱা উচিত। সন্তানক সংস্কাৰী কৰি গঢ়ি তুলিব পৰাটো এগৰাকী মাতৃৰ বাবে এক বিৰাট সফলতা আৰু গৌৰৱৰ বিষয়। সেয়ে মাতৃ গৰাকীয়ে সেই গৌৰৱৰ অংশীদাৰ হ'বলৈ প্ৰয়াস কৰাৰ লগতে সন্তানক এক সুন্দৰ, আদৰ্শ জীৱন উপহাৰ দিবলৈ সদা তৎপৰ হৈ থকা উচিত।

বৰ্তমান সময়ত নৱপ্ৰজন্ম অধিক স্বাধীন, তথ্য প্ৰযুক্তিৰ সুবিধা পাবলৈ সক্ষম হৈছে, কিন্তু সেই সুবিধাৰ অপব্যৱহাৰ কৰি নৱপ্ৰজন্মৰ বহুতেই মানসিক চাপ, বিচ্ছিন্নতা, নৈতিক অৱক্ষয়, আত্ম বিশ্বাসৰ অভাৱ আদিৰ দৰে মানসিক ব্যাধিত আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। সন্তানক এই সমূহৰ পৰা ৰক্ষা কৰিবলৈ, মনোবল ঘূৰাই আনিবলৈ মাতৃ গৰাকী বিশেষ যত্নপৰ হ'ব লাগিব। কিয়নো, এনে ব্যাধিৰ ফলত সন্তানৰ জীৱনলৈ সংকট নামি অহাৰো আশংকা নুই কৰিব নোৱাৰি। কৈশোৰত ভৰি দিয়া সন্তানৰ ক্ষেত্ৰতেই বিশেষকৈ এনে সমস্যা অধিক হোৱা দেখা যায়। সেয়ে এনে বয়সৰ সন্তানৰ ক্ষেত্ৰত মাতৃগৰাকী সন্তানৰ মানসিক দিশটোৰ প্ৰতি বিশেষ সতৰ্ক হোৱা উচিত। বাহিৰৰ নেতিবাচক পৰিৱেশৰ বাবে হোৱা ভয় বা চাপৰ পৰা সন্তানক ৰক্ষা কৰাৰ বেলিকাও মাতৃ গৰাকী সতৰ্ক হ'ব লাগিব। কিয়নো, এনে ধৰণৰ মানসিক অৱস্থাত সন্তানটিৰ কাষত যদি মাতৃ গৰাকী সাহস হৈ থাকে তেন্তে হাজাৰ ধুমুহাৰ পাছতো সন্তানটিয়ে সাহস নেহেৰুৱায়। সন্তানৰ মনৰ বতৰা ল'বলৈ মাতৃ গৰাকী অন্ততঃ সচেষ্ট হৈ থকা উচিত। কিন্তু দুখৰ বিষয় সন্তানৰ মনৰ বতৰা ল'বলৈ আজিৰ সময়ত বহু অভিভাৱকৰ সময়ৰ অভাৱ। যাৰ ফলত সন্তান আৰু অভিভাৱকৰ মনৰ দূৰত্ব ক্ৰমাৎ বাঢ়ি গৈ থকা পৰিলক্ষিত হৈছে।এগৰাকী আদৰ্শ মাতৃ হিচাপে সময়ৰ লগে-লগে সন্তানক জীৱনৰ লগত জড়িত সকলো ভাল-বেয়া দিশ বুজাই দিয়া উচিত। অন্যথা ঘৰৰ বাহিৰৰ পৰিৱেশে সন্তানক নেতিবাচক দিশটোকেই আগতে শিকোৱাৰ সম্ভাৱনা অধিক। মাতৃ গৰাকীয়ে সন্তানক ভাল দিশ সমূহ কেনেদৰে গ্ৰহণ কৰিব লাগে, বেয়া বোৰক কোন খিনিত প্ৰত্যাখ্যান কৰিব লাগিব সেই কথা বুজাই দিয়া উচিত। বন্ধুত্ব গঢ়াৰ ক্ষেত্ৰতো সতৰ্ক কৰি দিয়া উচিত। কিয়নো, বন্ধুৰ প্ৰৰোচনাত পৰি বিপথে যোৱা, অসৎ কৰ্ম কৰা উদাহৰণ বহু আছে। বন্ধুৰ বাবেই জীৱন হেৰুওৱা কাহিনীও সংঘটিত হৈছে আমাৰ এইখন সমাজতে। সন্তানৰ বাবে এই সমূহ সতৰ্ক বাণী মহৌষধ সম। সন্তানে এই কথাবোৰ বুজি উঠিব পৰা হয় একমাত্ৰ এগৰাকী মাতৃৰ তত্ত্বাৱধানত। সেয়ে মাতৃগৰাকী এই দিশটোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া উচিত ।মানৱীয় গুণ সমূহক জাগ্ৰত কৰা আৰু বেয়া ৰিপু সমূহক দমন কৰিবলৈ সন্তানক শিক্ষা দিয়া উচিত। এই শিক্ষাই সন্তানক অদূৰ ভৱিষ্যতে জীৱনৰ বাটত আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিব। মৰমৰ শাসনে মাতৃগৰাকীয়ে সন্তানক সকলো ফালে পুষ্ট কৰি গঢ়ি তুলিব পাৰে।ধৰ্মীয় তথা নৈতিক ভাৱাপন্ন সন্তান গঢ় দিয়াৰ প্ৰয়াস কৰাটো এগৰাকী মাতৃৰ আটাইতকৈ সুন্দৰ প্ৰয়াস। কিয়নো, আজিৰ সমাজত দেখা দিয়া অসূয়া, অপ্ৰীতি, বৰ্ধিত অসামাজিক কাৰ্যকলাপৰ মূলতে হৈছে নৈতিক জ্ঞানৰ অভাৱ, ভগৱানৰ প্ৰতি ভয়-ভক্তিহীন মনোভাৱ। আজিৰ একাংশ সন্তানৰ মাজত এই বদ গুণ, বদ মেজাজ

*(বাৰপৃষ্ঠাত চাওক)*

## পৱিত্ৰ মাৰ্ঘেৰিটা নহয়

পৱিত্ৰ মাৰ্ঘেৰিটাই প্ৰতিদ্বন্দিতা কৰিব। মুখ্যমন্ত্ৰীৰ এনে ঘোষণাৰ বিপৰীতে যোৰহাটত গৌৰৱ গগৈৰ বিৰুদ্ধে প্ৰাৰ্থী কোন হ'ব বুলি উঠা প্ৰশ্ন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, সমষ্টিটোৰ পৰা স্থানীয় যিকোনো সাধাৰণ পৰিয়ালৰ জনপ্ৰিয় সন্তানে প্ৰতিদ্বন্দ্বিতা কৰিব। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে তপন গগৈৰ প্ৰাৰ্থিত্বকো একপ্ৰকাৰ নস্যাৎ কৰে। ইফালে শিৱসাগৰ সমষ্টিত অখিল গগৈৰ বিৰুদ্ধে বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব নে অগপই প্ৰতিদ্বন্দ্বিতা কৰিব, সেয়া এতিয়াও সিদ্ধান্ত হোৱা নাই বুলি স্পষ্ট কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। তেওঁ কয়, শিৱসাগৰ সম্পৰ্কত আমি এতিয়াও সিদ্ধান্ত লোৱা নাই। সমষ্টিটো অগপই বিচাৰিছে আৰু বিজেপিৰো বহুকেইজন প্ৰাৰ্থী ইয়াৰ দাবীদাৰ। সেয়েহে বিষয়টো আমি আলোচনা কৰি আছোঁ।

## মিঞাৰ লগত আমাৰ

লেণ্ড জেহাদ হয়, ফাৰ্টিলাইজাৰ জেহাদ হয়, য'ত আমাৰ মাটি দখল কৰে, তাতহে সমস্যা হয়। আমাৰ সমস্যাবিলাক পৃথক। মই বহুবাৰ কৈছোঁ যে মিঞা মানুহৰ লগত আমাৰ শত্ৰুতা নাই। কিন্তু লাভ জেহাদ বন্ধ হ'ব লাগিব, বাল্যবিবাহ বন্ধ হ'ব লাগিব, বহুবিবাহ বন্ধ হ'ব লাগিব, ফাৰ্টিলাইজাৰ জেহাদ বন্ধ হ'ব লাগিব, লেণ্ড জেহাদ বন্ধ হ'ব লাগিব। এই চৰ্তসমূহ মানিলে আমি কাৰো সৈতে শত্ৰুতা নকৰোঁ। আমি কোনো মানুহৰ বিৰোধী নহয়, কাৰণসমূহৰহে বিৰোধী।

## প্ৰশাসনত ব্যাপক ৰদ

পদমৰ্যাদাৰে বদলি কৰা হৈছে গোলাঘাটলৈ। বিটিচিৰ সচিব ধীৰাজ সাউদ বা'ৰ আৰু গকুল চন্দ্ৰ ব্ৰহ্ম হ'ব চিৰাঙৰ নতুন জিলা আয়ুক্ত। ইফালে নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ বিভাগৰ সঞ্চালক নৰেন্দ্ৰ কুমাৰ শ্বাহক মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সচিব হিচাপে বদলি কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ সচিব মীনাক্ষি দাস নাথক অব্যাহতি দিয়া হৈছে অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ অতিৰিক্ত মুখ্য কাৰ্যবাহী বিষয়াৰ দায়িত্বৰ পৰা। পশ্চিম কাৰ্বি আংলঙৰ বৰ্তমানৰ জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাৰ নতুন দায়িত্ব হ'ব পৰিবহণ বিভাগৰ সচিব। বাক্সাৰ বৰ্তমানৰ জিলা আয়ুক্ত গৌতম দাসক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব পদলৈ বদলি কৰা হৈছে। চিৰাঙৰ বৰ্তমানৰ জিলা আয়ুক্ত যতীন বৰাক দিয়া হৈছে সাধাৰণ প্ৰশাসন বিভাগৰ সচিবৰ দায়িত্ব। লখিমপুৰৰ বৰ্তমানৰ জিলা আয়ুক্ত প্ৰণৱ জিৎ কাকতিক দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অতিৰিক্ত সচিব পদলৈ বদলি কৰা হৈছে। গোলাঘাটৰ বৰ্তমানৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ নতুন দায়িত্ব হ'ব ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ অতিৰিক্ত সচিব। সেইদৰে বজালীৰ বৰ্তমানৰ জিলা আয়ুক্ত মৃদুল কুমাৰ দাসক গৃহ-ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব পদলৈ বদলি কৰা হৈছে।

## বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক

শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য ই ছাত্ৰ -ছাত্ৰী ৰ সৰ্বাংগীন বিকাশ সাধনৰ দিশৰ ওপৰত বক্তৃতা আগবঢ়ায় আৰু ভৱিষ্যতে একো একোজন সুনাগৰিক হ'বলৈ পঞ্চম শ্ৰেণীৰ ২১ গৰাকী ছাত্ৰ -ছাত্ৰক আহ্বান জনায়। সভাত আমন্ত্ৰিত অতিথি হিচাপে গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি তথা শিক্ষক গোলোক চন্দ্ৰ দাসে বিদ্যালয় খনৰ পৰিবেশ, ছাত্ৰ -ছাত্ৰী সকলৰ শৈক্ষিক দিশৰ কৃতিত্বৰ শলাগ লয়। তেওঁ কয়- একো একোখন শিক্ষানুষ্ঠান হ'ল ছাত্ৰ -ছাত্ৰী ৰ আগন্তুক জীৱনৰ মাপকাঠি। লগতে একো একোজন ভাল মানুহ হ'বলৈ আহ্বান জনায়। সভাত নিমন্ত্ৰিত অতিথি হিচাপে নিউ গন্ধমৌ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন বৈশ্য ই কয় - প্ৰাথমিক বিদ্যালয় হ'ল শিক্ষাৰ ঘাই কঠিয়াতলি । সহকাৰী শিক্ষক জিতুমণি বৈশ্য, বিজয়া দাসে ভাষণ ৰাখে। সভাত শিক্ষয়িত্ৰী মলয়া দাস, ডলি ডেকা, সনাতন বৈশ্য, সুভাষ চন্দ্ৰ বৈশ্য, কৰিওগ্ৰাফাৰ বিশ্বজিৎ বৈশ্য উপস্থিত থাকে। সভাৰ আৰম্ভণিতে ছাত্ৰ -ছাত্ৰী সকলে এটি সৰ্বধৰ্ম প্ৰাৰ্থনা পৰিবেশন কৰে।

## মিচিং স্বায়ত্ব শাসিত

চুবুৰীত মুৰং ঘৰৰ লাইখুঁটা স্থাপন কৰি মিচিং স্বায়ত্ব শাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে কয় যে- মিচিং স্বায়ত্ব শাসিত পৰিষদৰ সকলো সমষ্টিৰ উন্নয়নৰ ধাৰা এনেদৰেই অব্যাহত থাকিব মাথো ৰাইজৰ সহযোগিতাৰ প্ৰয়োজন। তেওঁ উক্ত, মুৰংঘৰটো সু নিৰ্দিষ্ট প্ৰাক্কলন অনুসৰি, উন্নত মানদণ্ডৰে নিৰ্দিষ্ট সময়ত নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণ সমিতিক আহ্বান জনায়। উক্ত, উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে নিৰ্মাণ সমিতিৰ তৰফৰ পৰা উপস্থিত সকলোকে আদৰণী জনোৱা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সত্যেন্দ্ৰনাথ পামেগামে।

## ব্ৰহ্মপুত্ৰত দেশৰ প্ৰথম নদীভিত্তিক

উদ্যোগক সেৱা আগবঢ়োৱা সৰবৰাহ শৃংখলৰ অবিচ্ছেদ্য অংগ। নতুন লাইটহাউছসমূহে ২৪x৭ নিৰাপদ নেভিগেচন সুবিধা, বতৰ পৰ্যবেক্ষণ চেন্সৰৰ ব্যৱস্থা কৰাৰ লগতে নদীখনত মালবাহী আৰু যাত্ৰীবাহী জাহাজ চলাচলৰ বহনক্ষম বৃদ্ধিৰ বাবে প্ৰয়োজনীয় নেভিগেচন আন্তঃগাঁথনি প্ৰদান কৰিব। এই উপলক্ষে ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত আভ্যন্তৰীণ জলপথ কেৱল পথ আৰু ৰে'লপথৰ বিকল্প নহয়, বৰঞ্চ আমাৰ অৰ্থনীতিৰ চালিকা শক্তি হিচাপে শক্তিশালী আৰু সক্ষম কৰি তোলা হৈছে। জলপথেৰে সৰবৰাহ কৰা এক টন সামগ্ৰী স্থানান্তৰ কৰাত পথ পৰিবহণতকৈ বহু কম খৰচ হয়, নিচেই সামান্য কাৰ্বন নিৰ্গমন হয় আৰু যাত্ৰী আৰু সময় সংবেদনশীল সামগ্ৰীৰ বাবে আমাৰ ঘাই পথসমূহ মুক্ত কৰে। ব্ৰহ্মপুত্ৰৰ পাৰৰ এই লাইটহাউছ কেইটা এক আগ্ৰহৰ নিদৰ্শন। যি ভাৰতৰ নদীসমূহ ২৪ ঘণ্টাই ব্যৱসায়ৰ বাবে মুকলি কৰি ৰাখিব ।অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে লগতে কয় যে জল পৰিবহণে যথেষ্ট কম খৰচতে সুবিধা প্ৰদান কৰে। আভ্যন্তৰীণ জলপথৰ জৰিয়তে এক টন সামগ্ৰী পৰিবহণ কৰিলে পথ পৰিবহণৰ খৰচৰ প্ৰায় এক তৃতীয়াংশ আৰু ৰে'ল পৰিবহণৰ আধা খৰচ হয়। উত্তৰ-পূব ভাৰতৰ দৰে অঞ্চলৰ বাবে, য'ত যাতায়াত আৰু ভূখণ্ড দুয়োটাৰে বাবে পথৰ আন্তঃগাঁথনি অহৰহ চাপত থাকিবলগীয়াত পৰে, তেনেক্ষেত্ৰত ব্ৰহ্মপুত্ৰক বৃহৎ পৰিসৰৰ মালবাহী কৰিড'ৰ হিচাপে কাৰ্যকৰী কৰাটো বিকল্প নহয়, বৰঞ্চ এক প্ৰয়োজনীয়তা। উল্লেখ্য যে ২০২৫ চনৰ ৮ এপ্ৰিলত আইডব্লিউএআই আৰু ডিজিএলএলৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়, য'ত উক্ত চাৰিওটা স্থান সামৰি লোৱা হৈছিল। নেভিগেচনেল সাহায্যৰ বাবে কেন্দ্ৰীয় পৰামৰ্শদাতা সমিতিৰ সন্মুখত কাৰিকৰী প্ৰস্তাৱ দাখিল কৰাৰ পিছত ২০২৫ চনৰ জুন মাহত ব্যৱহাৰৰ অধিকাৰ চুক্তিৰ অধীনত স্থানসমূহ আনুষ্ঠানিকভাৱে ডিজিএলএললৈ হস্তান্তৰ কৰা হয়। ভূ-কাৰিকৰী অন্বেষণ, ভূ-প্ৰকৃতিৰ জৰীপ আৰু বিশদ ডিজাইনৰ পিছত প্ৰতিটো লাইটহাউছ চুক্তি প্ৰদানৰ ২৪ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে। বন্দৰ, জাহাজ জলপথ মন্ত্ৰালয়ৰ অধীনস্থ লাইটহাউছ আৰু লাইটশ্বিপ সঞ্চলকালয় (ডিজিএলএল) হৈছে ভাৰতৰ ১১, ০৯৮ কিলোমিটাৰ উপকূল আৰু এতিয়া ইয়াৰ অন্তৰ্দেশীয় জলপথৰ মাজেৰে যাতায়াতৰ বাবে সাহায্য প্ৰদানৰ বাবে বিধিগত প্ৰাধিকৰণ। ২০, ০০০ কিলোমিটাৰতকৈও অধিক বিস্তৃত ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণে ভাৰতৰ ৰাষ্ট্ৰীয় জলপথৰ নেটৱৰ্ক প্ৰশাসন আৰু বিকাশ সাধন কৰাৰ লগতে আন্তঃগাঁথনি, টাৰ্মিনেল আৰু নেভিগেচনেল সুবিধাসমূহ পৰিচালনা কৰে, যাতে দেশৰ নদী, বেকৱাটাৰ আৰু খালসমূহৰ মাজেৰে মালবাহী আৰু যাত্ৰীবাহী জাহাজ চলাচল কৰিব পাৰে। ২নং ৰাষ্ট্ৰীয় জলপথে ধুবুৰীক উজনি অসমৰ শদিয়াক সংযোগ কৰিছে। ৮৯১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই জলপথটো যিকোনো ভাৰতীয় জলপথৰ ভিতৰতে আটাইতকৈ দীঘলীয়া যাতায়াত কৰিব পৰা অংশ আৰু ই ভাৰতৰ উত্তৰ-পূবৰ সম্পূৰ্ণ মাজেৰে পাৰ হৈ গৈছে। এই চাৰিটা লাইটহাউছ দেশৰ আভ্যন্তৰীণ জলপথসমূহক দীৰ্ঘদিন ধৰি কাৰ্যকৰী হৈ অহা একেটা নেভিগেচনেল সুৰক্ষা আন্তঃগাঁথনিৰে সজ্জিত কৰাৰ বাবে বন্দৰ, জাহাজ-জলপথ মন্ত্ৰালয়ৰ এক অভিলাষী কাৰ্যক্ৰমৰ সূচনা ৰূপে চিহ্নিত হৈছে। আধাৰশিলা স্থাপন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিবহণ মন্ত্ৰী চৰণ বড়ো, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ সচিব বিজয় কুমাৰ আৰু ডিজিএলএলৰ সঞ্চলকপ্ৰধান এন মুৰুগানন্দমকে ধৰি একাংশ জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

## ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন

আদিকে ধৰি ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে সংগ দিয়ে। উল্লেখ্য যে ৰাজ্যসভাৰ তিনিখন আসনৰ ভিতৰত দুখন আসনত শাসকীয় পক্ষৰ জয় নিশ্চিত আছিল যদিও তৃতীয় আসনৰ বাবে বিৰোধীৰ জোৰ আছিল। কিন্তু বিৰোধীৰ মাজত প্ৰাৰ্থী প্ৰক্ষেপৰ ক্ষেত্ৰত কোনো ঐকমত্য নোহোৱাত তৃতীয় আসনৰ বাবে বিৰোধীৰ কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰিলে। যাৰ বাবে তৃতীয়খন আসনতো এনডিএৰ হৈ ইউপিপিএলৰ প্ৰাৰ্থী প্ৰমোদ বড়োৰ জয় নিশ্চিত হৈ পৰিল। স্মৰ্তব্য যে ৰাজ্যসভা নিৰ্বাচনৰ বাবে এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলেও মনোনয়ন-পত্ৰ সংগ্ৰহ কৰিছিল। এআইইউডিএফ দলে তৃতীয় আসনত আজমলৰ বাবে উমৈহতীয়া যুঁজৰ প্ৰস্তাৱ দিছিল। কিন্তু কংগ্ৰেছে এআইইউডিএফৰ এই প্ৰস্তাৱত কোনো সঁহাৰি নিদিলে। আনহাতে বিজেপি দলৰো ছগৰাকী নেতাই মনোনয়ন-পত্ৰ সংগ্ৰহ কৰিছিল।২০১৬ চনত প্ৰথমবাৰ দুলীয়াজানৰ পৰা নিৰ্বাচনত জয়ী হৈ বিধানসভাত চাইকেল চলাই প্ৰৱেশ কৰা তেৰছ গোৱালাই আজিও চাইকেল চলায়েই ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন-পত্ৰ দাখিল কৰে। ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন-পত্ৰ দাখিল কৰি যোগেন মহনে কয়- উচ্চ সদনলৈ প্ৰেৰণ কৰাৰ বাবে দলৰ নেতৃত্বক ধন্যবাদ জনাইছোঁ। বিগত দহ বছৰত মন্ত্ৰী বা বিধায়ক হিচাপে মই সমষ্টিবাসী আৰু অসমৰ বাবে যিখিনি কৰিলোঁ বা কিবা থাকি যোৱা বাবে ক্ষমা বিচাৰিছোঁ। উচ্চ সদনৰ পৰা অসমৰ হৈ কাম কৰিম। ৰাজ্যখনৰ সমস্যাসমূহ কেন্দ্ৰীয় চৰকাৰক উত্থাপন কৰি ৰাজ্যখনক আগুৱাই নিয়াৰ বাবে চেষ্টা থাকিব। সমষ্টিবাসীৰ লগত মোৰ যি নিবিড় সম্পৰ্ক আছিল, তাৰ বাবে স্বাভাৱিকতে তেওঁলোক আৱেগিক হৈ গৈছে। সমষ্টিবাসী ৰাইজে মোক বিধায়ক হিচাপে চাব বিচাৰিছিল। কিন্তু আমাৰ ৰাষ্ট্ৰীয় নেতৃত্বই যিদৰে বিচাৰিব আমি সেইদৰে কাম কৰিব লাগিব। আনহাতে বিটিচিৰ মুৰব্বী হিচাপে পাঁচ বছৰ শাসন চলোৱা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে ৰাজ্যসভাৰ তৃতীয়খন আসনৰ বাবে মনোনয়ন দাখিল কৰি সংবাদ মাধ্যমৰ আগত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। প্ৰমোদ বড়োৱে কয়, দলৰ সিদ্ধান্ত অনুসৰি আজি মই ৰাজ্যসভাৰ তৃতীয়খন আসনৰ বাবে মনোনয়ন দাখিল কৰিলোঁ। আশা ৰাখিছোঁ নিৰ্বাচনৰ সময়ত তৃতীয়খন আসনৰ বাবে আমি বিভিন্ন দলৰ বিধায়কসকলৰ পৰা সমৰ্থন পাম। বড়োলেণ্ডকে ধৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতৰ কাৰণে কাম কৰাৰ সুবিধা পাম বুলি আশা কৰিছোঁ। মই আমাৰ দলৰ নেতৃত্বক ধন্যবাদ জনাইছোঁ। সকলো দলৰে সমৰ্থন বিচাৰিম।' উল্লেখ্য যে আগন্তুক এপ্ৰিল মাহৰ বিভিন্ন দিনত এই আসনসমূহৰ কাৰ্যকাল সমাপ্ত হ'ব। অসমৰ ক্ষেত্ৰত তিনিগৰাকী ৰাজ্যসভাৰ সাংসদ ক্ৰমে বিজেপিৰ ভুবনেশ্বৰ কলিতা আৰু ৰামেশ্বৰ তেলীৰ লগতে বিৰোধী ঐক্যমঞ্চৰ অজিত কুমাৰ ভূঞাৰ কাৰ্যকাল ২০২৬ চনৰ ৯ এপ্ৰিলত অন্ত পৰিব। ৰাজ্যসভাৰ খালী হৈ থকা আসনসমূহৰ বাবে অনুষ্ঠিত হ' বলগীয়া আন ৰাজ্যসমূহ হৈছে মহাৰাষ্ট্ৰ, ওড়িশা, তেলেংগানা, তামিলনাডু, ছত্তিশগড়, পশ্চিমবংগ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু বিহাৰ। নিৰ্বাচনী সূচী অনুসৰি, ৫ মাৰ্চ মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিন। ভোটগ্ৰহণৰ দিনটোতেই অৰ্থাৎ ১৬ মাৰ্চত ভোটগণনা সম্পন্ন কৰা হ'ব।

## ডনবস্ক’ উঃমাঃ বিদ্যালয়ৰ

লগতে বৈচিত্ৰ্যত ঐক্যৰ মনোভাব শক্তিশালী কৰে। ৪৫ অসম ৰাইফলৰ উদ্যোগত অপাৰেচন সাস্তাবনাৰ অধীনত দুৰ্গম আৰু সীমান্তৱৰ্তী অঞ্চলৰ যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় মূল সুঁতিৰ সৈতে সংযোগ কৰি দায়িত্বশীল নাগৰিক হ’বলৈ অনুপ্ৰাণিত কৰা অপাৰেচন সম্ভাবনাৰ অধীনত অসম ৰাইফলছৰ ভূমিকাৰ শলাগ লয়। ছাত্ৰ-ছাত্ৰীসকলক ডাঙৰ সপোন দেখিবলৈ উৎসাহিত কৰি ৰাজ্যপালগৰাকীয়ে নিষ্ঠাৰে শিক্ষা গ্ৰহণ কৰিবলৈ আৰু জাতিৰ উন্নয়নত সক্ৰিয়ভাৱে অৰিহণা যোগাবলৈ আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ অভিজ্ঞতা আনৰ সৈতে ভাগ-বাটোৱাৰা কৰিবলৈ আৰু সমন্বয়, ঐক্য, ভাতৃত্ববোধৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ আহ্বান জনায়। ৰাজ্যপালে আশা প্ৰকাশ কৰে যে ভ্ৰমণৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা অভিজ্ঞতাই তেওঁলোকৰ আত্মবিশ্বাস গঢ়ি তোলাত সহায় কৰিব, দৃষ্টিভংগী বহল কৰিব আৰু ৰাষ্ট্ৰ নিৰ্মাণত অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ তেওঁলোকক প্ৰস্তুত কৰিব।

## ৰাষ্ট্ৰীয় একতা শিবিৰলৈ

মহাবিদ্যালয়ৰ এনএছএছ গোটৰ কাৰ্যসূচী বিষয়া ড° যুগব্ৰত দাসে। দলটোত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ শ্ৰুতি শৰ্মা আৰু জেৰিফা আজহাৰ চৌধুৰী, গোৱালপাৰা মহাবিদ্যালয়ৰ কামৰুল হক চৌধুৰী আৰু দীক্ষিতা দাস, নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ হীৰেন শইকীয়া আৰু টিংকু দে’ আৰু বেষ্ট গুৱাহাটী কমাৰ্চ কলেজৰ দীপশিখা বৰা আৰু ৰবি পাণ্ডে নিৰ্বাচিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্ত, এনএছএছৰ উত্তৰ-পূব মণ্ডলৰ ক্ষেত্ৰীয় সঞ্চালক ডি কাৰ্থিগুইন, গুৱাহাটী বিশ্ববিদ্যালয় এ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয় এনএছ এছ কোষৰ কাৰ্যসূচী সমন্বয়ক ড° ৰঞ্জন কুমাৰ কাকতিয়ে দলটোক শিবিৰত সফল অংশগ্ৰহণৰ বাবে যাত্ৰাৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

## ইউপিএছচিত জিলিকিল

৭৭৭নং স্থান লাভ কৰে। অভিজ্ঞান খাউণ্ডে ইতিপূৰ্বে ২০২০ চনত অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত দশম স্থান অধিকাৰ কৰিছিল। পৰৱৰ্তী সময়ত এই মেধাৱী শিক্ষাৰ্থীজনে এপিএছচিয়ে অনুষ্ঠিত কৰা ২০২৪ বৰ্ষৰ ভাৰতীয় বন সেৱাৰ পৰীক্ষাত সৰ্বভাৰতীয় পৰ্যায়ত ৪৮সংখ্যক স্থান লাভ কৰি সফলতাৰে উত্তীৰ্ণ হয়। সৰ্বভাৰতীয় পৰ্যায়ত ৩০৩নং স্থান লাভকৰা লিজা গাৰ্গেও শৈক্ষিক জীৱনত প্ৰচুৰ মেধাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে এইবাৰ অসামৰিক সেৱাৰ পৰীক্ষাত ভাৰতীয় প্ৰশাসনীয় সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় বৈদেশিক সেৱা, কেন্দ্ৰীয় সেৱাৰ গ্ৰুপ ‘এ’ আৰু গ্ৰুপ ‘বি’ৰ বিপৰীতে মুঠ ৯৫৮জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰে ৩১৭জন সাধাৰণ, ১০৪জন আৰ্থিক দুৰ্বল, ৩০৬জন অন্যান্য পিছপৰা শ্ৰেণী, ১৫৮জন অনুসূচিত জাতি আৰু ৭৩জন অনুসূচিত জনজাতিৰ। সৰ্বভাৰতীয় পৰ্যায়ত শীৰ্ষ স্থান লাভ কৰিছে যোধপুৰ এইমছৰ স্নাতক ডাঃ অনুজ অগ্নিহোত্ৰীয়ে। তেওঁ ৰাজস্থানৰ ৰাৱাটভাতাৰ বাসিন্দা। দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয় ক্ৰমে তামিলনাডুৰ মাদুৰাইৰ ৰাজেশ্বৰী চুৱে এম আৰু হাৰিয়ানাৰ আকাংশ ধুলে।

## অখিল গগৈৰ ৰাইজৰ

এপিএইচএলচি তথা অজাপৰ নেতৃত্বই গুৱাহাটীৰ এখন হোটেলত বহি ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা প্ৰসংগই ৰাইজৰ দল বিৰোধী ঐক্যৰ পৰা বাহিৰ হোৱাৰেই স্পষ্ট ইংগিত দিছে। চাৰিওটা দলৰ নেতৃবৰ্গৰ আলোচনাৰ পিছত অনুষ্ঠিত সংবাদ মেলতো কংগ্ৰেছৰে ৰাইজৰ দলৰ মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰতো গা এৰা দি চলে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। সংবাদ মেলত সমগ্ৰ বিষয়টোৰ প্ৰসংগত উত্তৰ দি গৌৰৱ গগৈয়ে বিৰোধী ঐক্যৰ মিত্ৰতা তথা দলীয় মঞ্চত পৰৱৰ্তী দিনত অধিক বিস্তাৰিত হ’ব বুলি কয়। বিৰোধী ঐক্যৰ বাবে মিত্ৰতাৰ দুৱাৰ খোলা আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি সভাপতি গৌৰৱ গগৈয়ে ৰাইজৰ দল, চিপিআই, চিপিএম আদিকে ধৰি বিৰোধী দলসমূহ একগোট হৈ আগন্তুক দিনত বিজেপিৰ বিৰুদ্ধে যুঁজ দিব বুলি কয়। সভাপতি গগৈয়ে কয়-আজি আমি চাৰিটা দলে ৰাজ্যত বিৰোধী ঐক্যৰ ঐক্যবদ্ধ যাত্ৰা আৰম্ভ কৰিছোঁ আৰু বাকী ৰাইজৰ দলকে ধৰি অন্যান্য দলসমূহেও এই ঐক্যবদ্ধ যাত্ৰাৰ অংশীদাৰী হ’ব। স্মৰ্তব্য যে বিৰোধী ঐক্যৰ নামত একত্ৰিত হোৱা চাৰিটা দলৰ নেতৃবৰ্গৰ ভিতৰত বৈঠকত উপস্থিত থাকে অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈ, চিপিএমৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰ, এপিএইচএলচিৰ সভাপতি জন ইংতি কাথাৰ, প্ৰাক্তন মুখ্য সচিব অজাপৰ চন্দ্ৰকান্ত দাস আৰু জ্যেষ্ঠ অধিবক্তা কে এন চৌধুৰী।

## ৬০ টকাকৈ বৃদ্ধি ঘৰুৱা

ৰাজসাহায্যবিহীন এলপিজি আৰু উজ্জ্বলা হিতাধিকাৰীৰ বাবে আন নিয়মীয়া উপভোক্তাই ব্যৱহাৰ কৰা ১৪.২ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰৰ বাবে গ্ৰাহকে ৯১ টকাকৈ ভৰিব লাগিব। ইয়াৰ পূৰ্বে প্ৰতিটো ঘৰুৱা চিলিণ্ডাৰৰ মূল্য আছিল ৮৫৩। ইফালে হোটেল আৰু ৰেস্তোৰাঁৰ দৰে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ব্যৱহাৰ কৰা ১৯ কিলোগ্ৰাম চিলিণ্ডাৰৰ দাম ১১৪.৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। মাজনিশাৰ পৰা বলবৎ হোৱাকৈ প্ৰতিটো চিলিণ্ডাৰৰ মূল্য দিল্লীত ১, ৮৮৩ টকা হ’ব। স্থানীয় বিক্ৰী কৰ বা মূল্য সংযোজন কৰৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যভেদে দাম ভিন্ন ভিন্ন। সেই হিচাপে দিল্লীত প্ৰতিটো ঘৰুৱা চিলিণ্ডাৰৰ দাম বৃদ্ধি পায় ৯১৩ টকা, মুম্বাইত ৯১২.৫০ টকা, কলকাতাত ৯৩৯ টকা, চেন্নাইত ৯২৮.৫০ টকা। অসমত প্ৰতিটো ১৪.২ কিলোগ্ৰাম ঘৰুৱা চিলিণ্ডাৰৰ মূল্য ৯৬২ টকা, ১০.১৯ কিলোগ্ৰাম ঘৰুৱা চিলিণ্ডাৰৰ দাম ৬৮৮ টকা আৰু ১৯.১ কিলোগ্ৰাম বাণিজ্যিক চিলিণ্ডাৰৰ দাম ২, ১০৩.৫০ টকালৈ বৃদ্ধি পায়। ইফালে চিলিণ্ডাৰৰ মূল্য বৃদ্ধি পালেও উজ্জ্বলা যোজনাৰ ১০ কোটি হিতাধিকাৰীয়ে পূৰ্বৰ দৰেই ৩০০ টকা ৰাজসাহায্য লাভ কৰি থাকিব। অৱশ্যে তেওঁলোকে নতুন নিৰ্ধাৰিত দামতে ক্ৰয় কৰিব লাগিব। ৰন্ধন গেছৰ দাম বৃদ্ধি পালেও খাৰুৱা তেলৰ দাম ভাৰতত অপৰিৱৰ্তিত থকা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

## চচলত সদৌ অসম চৰকাৰী

সভাপতি অচ্যুতানন্দ হাজৰিকাই এই সন্দৰ্ভত কয় যে এনপিএছে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলৰ অৱসৰকালীন সুৰক্ষা নিশ্চিত নকৰে। পুৰণি পেঞ্চন ব্যৱস্থাৰ পুনৰ প্ৰৱৰ্তনেহে কৰ্মচাৰী সমাজক সকাহ দিব পাৰে। এইক্ষেত্ৰত সকলো ৰাজনৈতিক শক্তিক এক চূড়ান্ত সিদ্ধান্ত ল’বলৈ আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে আহ্বান জনাইছে সংগঠনটোৱে। যদিহে চৰকাৰ অথবা কোনো ৰাজনৈতিক দলে এনে সিদ্ধান্ত গ্ৰহণ নকৰে, তেন্তে পৰৱৰ্তী সময়ত সকলোধৰণৰ গণতান্ত্ৰিক পথ লোৱাৰ হুংকাৰ দিছে সংগঠনটোৱে। উল্লেখ্য যে সংগঠনটোৰ উদ্যোগত কেইবাজনো সদস্যই ছঘণ্টীয়া প্ৰতীকী অনশনত অংশ লয়। ইপিনে, গৃহকৰ্মীৰ সামাজিক সুৰক্ষা আইন প্ৰণয়নৰ দাবীত আজি গৃহকৰ্মী অধিকাৰ সুৰক্ষা সমিতি আৰু সদৌ গুৱাহাটী গৃহকৰ্মী ইউনিয়নৰ নেতৃত্বত অৰ্ধসহস্ৰ গৃহকৰ্মীয়ে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। গৃহকৰ্মীসকলে সামাজিক সুৰক্ষা আৰু কল্যাণ নিধি গঠন, ন্যূনতম মজুৰি, গৃহকৰ্মীসকলৰ চৰকাৰী পঞ্জীয়নকে ধৰি কেইবাটাও সমস্যা সমাধানৰ বাবে চৰকাৰক দাবী জনায়।

## আহমেদাবাদত আজি

হৈ পৰিছে ঘৰুৱা দলটো। বিশ্ববাসীয়ে অধীৰ আগ্ৰহেৰে বাট চাই থকা খিতাপ যুঁজৰ মেচখনৰ বাবে আহমেদাবাদত চাৰি ধৰণৰ উইকেট প্ৰস্তুত কৰা হৈছে। যোৱাকালি বিয়লি নিউজিলেণ্ড দলটোৱে প্ৰায় তিনি ঘণ্টা ধৰি অনুশীলন কৰে। ইপিনে, শুকুৰবাৰে বিয়লি মুম্বাইৰ পৰা আহমেদাবাদত উপস্থিত হয় সূৰ্যকুমাৰ বাহিনী শনিবাৰে অনুশীলনত নামে। অনুশীলনৰ পূৰ্বে সংবাদমেল সম্বোধন কৰি ভাৰতীয় দলটোৰ অধিনায়ক সূৰ্যকুমাৰে কয় যে বৰুণ চক্ৰৱৰ্তীৰ অফ ফৰ্ম, টছ, নিয়ৰৰ প্ৰভাৱ, উইকেট আদি সকলো চম্ভালিবলৈ সম্পূৰ্ণৰূপে সাজু আছো। ফাইনেলত দলটোক নেতৃত্ব দিবলৈ পাই তেওঁ অত্যন্ত সুখী বুলি মন্তব্য কৰে। সন্ধিয়া ৭ বজাৰ পৰা ফাইনেল খেলখন আৰম্ভ হ’ব।

## মহিলা কৰ্মচাৰীৰ বাবে ৰাজ্য

গোপনীয় ইলেক্ট্ৰ’নিক প্লেটফৰ্মৰ জৰিয়তে নিৰ্যাতন বা হাৰাশাস্তি সম্পৰ্কীয় অভিযোগ দাখিল কৰিব পাৰিব। এই ব্যৱস্থা কাৰ্যকৰী হোৱাৰ লগে লগে প্ৰতিটো চৰকাৰী বিভাগতে ‘SHe Box’ৰ সুবিধা সুলভ হ’ব। ব্যৱস্থাটোৰ ৰূপায়ণ আৰু কাম-কাজ তদাৰক কৰিবলৈ ইতিমধ্যে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত সচিব হেমাশ্ৰী হাজৰিকাক ন’ডেল বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। প্লেটফৰ্মটো নিৰীক্ষণ তথা অভিযোগসমূহ সঠিকভাৱে পৰ্যালোচনা আৰু সমাধান নিশ্চিত কৰাৰ দায়িত্ব তেওঁৰ হ’ব। প্ৰধানতঃ অনলাইনৰ জৰিয়তে ভুক্তভোগীয়ে গোপনীয়তা বজাই ৰাখি দাখিল কৰিব পাৰিব অভিযোগ। লগতে অভিযোগকাৰীসকলে তেওঁলোকৰ অভিযোগ গাঁথনিগত আৰু স্বচ্ছভাৱে দিব পাৰিব। এই প্লেটফৰ্মটোৱে কৰ্মক্ষেত্ৰত মহিলা যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষেধাজ্ঞা আৰু প্ৰতিকাৰ) আইন-২০১৩ৰ বিধান অনুসৰি কৰ্মস্থানত যৌন নিৰ্যাতনৰ গোচৰসমূহ লিপিবদ্ধ নিৰীক্ষণ-সমাধানৰ বাবে ডিজাইন কৰা অনলাইন অভিযোগ ব্যৱস্থাপনা হিচাপে কাম কৰিব।

## কাৰ্বি আংলঙৰ ছুখয় যুদ্ধ বিমান

এক আতংক বিয়পি পৰিছিল। জানিব পৰা মতে, দুৰ্ঘটনা সংঘটিত হোৱা পাহাৰখনৰ দুৰ্গম অঞ্চলটোত কমেও ৫ বিঘা মাটিত বিমানখনৰ ধ্বংসাৱশেষ সিঁচৰতি হৈ পৰিছে। তদুপৰি অঞ্চলটো ইমানেই দুৰ্গম যে দুৰ্ঘটনা সংঘটিত হোৱা পাহাৰখনলৈ খোজকাঢ়ি যাবলৈ অতি কমেও ৪/৫ ঘণ্টা সময়ৰ প্ৰয়োজন হয়। বৃহস্পতিবাৰে সন্ধিয়া ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় আৰক্ষী আৰু বায়ুসেনাৰ ১০-১২জনীয়া দলে নিশা ৰৰ বজাত কালাপাহাৰ অঞ্চলত হেলিকপ্টাৰৰ জৰিয়তে উপস্থিত হৈ বিমানখনৰ সন্ধান চলায়। ইতিমধ্যে ঘটনাটোৰ পাছত বন বিভাগত কৰ্মৰত এজন যুৱকে নিশাই পাহাৰখনত উঠি ঘটনাস্থলীৰ সম্ভেদ লাভ কৰাৰ পাছত তেওঁক লগত লৈ বায়ুসেনাৰ দলটোৱে নিশাই দুৰ্গম পাহাৰ এলেকাটোত উপস্থিত হয়। বায়ুসেনাৰ দলটোৱে পুৱাৰ ভাগলৈকে পাহাৰখনত উদ্ধাৰ অভিযান চলাই বিমানখনৰ ব্লেকব’ক্স উদ্ধাৰ কৰাৰ লগতে দুয়োজন পাইলটৰ ছিন্ন-ভিন্ন হৈ পৰা মাংসপিণ্ড উদ্ধাৰ কৰে। উদ্ধাৰ অভিযান শুক্ৰবাৰৰ দিনৰ ভাগলৈকে অব্যাহত থাকে। বায়ুসেনাৰ আন এটা দলে স্থানীয় লোকৰ সহায়ত ঘটনাস্থলীত উপস্থিত হৈ বিমানখনৰ ধ্বংসাৱশেষৰ লগতে পাইলট দুজনৰ ছিন্ন-ভিন্ন হৈ পৰা মৃতদেহৰ অংশ উদ্ধাৰ কৰে। গোটেই পাহাৰখনত প্ৰায় তিনি শতাধিক লোকে এই উদ্ধাৰ অভিযানত বায়ুসেনা তথা স্থানীয় প্ৰশাসনক সহায় কৰে। কাৰ্বি আংলং জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়া আৰু আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ উদ্ধাৰ অভিযানত বায়ুসেনাক সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলি সদৰী কৰে। দুৰ্ঘটনাটোত মৃত পাইলট দুজনৰ মৃতদেহৰ অৱশিষ্ট উদ্ধাৰ কৰি বায়ুসেনাৰ দলটোৱে যোৰহাটৰ বিমানঘাটিলৈ নিয়ে। জানিব পৰা মতে, প্ৰশিক্ষণৰত অৱস্থাত থকা পাইলট দুজনৰ বিমানখন কি কাৰণত এনেদৰে দুৰ্ঘটনাত পতিত হ’ল, তাৰ তদন্ত বায়ুসেনাই অব্যাহত ৰাখিছে।

## ENGLISH NEWS SECTION

# Assam Governor interacts with students of Don Bosco Higher Secondary School under Operation Sadbhavana



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya, interacted with students and teachers of Don Bosco Higher Secondary School, Nagaland, who visited Lok Bhavan as part of the National Integration Tour under Operation Sadbhavana at a programme held. Talking to the students, Governor Shri Acharya said that the Sadbhavana tour helps young people understand India's rich diversity, culture, and traditions while strengthening the spirit of unity in diversity. Organised by the 45 Assam Rifles, he appreciated the role of the Assam Rifles in organizing the tour programme under Operation Sadbhavana, which connects youth from remote and border areas with the national mainstream and inspire them to become responsible citizens. Encouraging the students to dream big, the Governor urged them to pursue education with dedication and contribute actively to the development of the nation. He also called upon the students to share their experiences with others and spread the message of harmony, unity, and brotherhood. The Governor expressed hope that the exposure the students got and experience thus gained during the tour would help the students develop confidence, broaden their perspectives, and prepare them to play a meaningful role in nation-building. He also thanked the 45 Assam Rifles, teachers, and organisers for providing such a valuable learning experience to the students and wished them a bright future.

## Governor attends Prag Prerona Award 2026



Guwahati, RB News : On the eve of International Women's Day, Assam Governor Shri Lakshman Prasad Acharya, presented the Prag Prerona Awards 2026 to nine distinguished women, who have made remarkable contributions in their respective fields. The awards were conferred at a function held at a city hotel. Speaking on the occasion, the Governor expressed immense pride for being part of the ceremony and extended his heartfelt congratulations to all the awardees. He said that the event was a vibrant celebration of creativity, national spirit and cultural excellence. He appreciated Prag TV for creating an inspiring platform through the Prag Prerona Awards to recognize and honour women whose outstanding work continues to impact the society positively. Lauding the occasion, the Governor noted that celebrating the achievements of women on the eve of International Women's Day carries special meaning, as the day reminds society of the invaluable role women play in the progress of humanity, the nation and civilisation. Drawing from India's rich cultural heritage, the Governor said that Indian tradition accords equal importance to Shiva and Shakti, symbolising the indispensable role of women in the cosmic and social order.

## India defeated England by 7 runs




RB News: Defending champions India beat England by seven runs in a thrilling T20 World Cup semi-final in Mumbai on Thursday despite Jacob Bethell's stunning 105. Sanju Samson received the 'Player of the Match' award for his brilliant 89 off 42 balls, which included eight fours and seven sixes, helping India storm into the final. Sanju Samson's scintillating 89 laid the platform for India to pile up a massive 253-7. India will face New Zealand in the final.

## Lakshya Sen knocks out World No. 6 Shi Feng




RB News: India shuttler Lakshya Sen defeated China's world number six Li Shi Feng in the quarter-final at All England Open Badminton Championships 2026. Sen sealed a 21-13, 21-16 victory over Shi Feng. He will face Canada's Victor Lai in the semi-final clash on Saturday. Notably, Sen had lost to Shi Feng in the quarter-final of All England Open last year.

## Rashid Khan sacked as Afghanistan T20I captain



RB News: All-rounder Rashid Khan has been sacked as T20I captain of Afghanistan. Ibrahim Zadran has been appointed the new T201 captain of the Afghanistan national cricket team for the upcoming white-ball series against Sri Lanka national cricket team. The decision was announced by the Afghanistan Cricket Board after the team's disappointing performance in the ICC Men's T20 World Cup 2026, where Afghanistan were eliminated in the league stage. Zadran replaces star leg-spinner Rashid Khan, who previously led the team in the format.

## Ricky Martin to perform at closing ceremony of T20 World Cup 2026



RB News: Defending champions India will face New Zealand in the final of the ICC Men's T20 World Cup 2026 on Sunday. International pop icon Ricky Martin will perform at the closing ceremony ahead of the T20 World Cup 2026 final at the Narendra Modi Stadium in Ahmedabad on Sunday. Martin is best known for the hit song 'Livin' la Vida Loca'. The performance will commence at 5:30 pm, while the final between India and New Zealand will begin at 7 pm.

# চাহ-শ্ৰমিকৰ দুৰ্দশা

এক বিশেষ আঁচনি ঘোষণা কৰাটোৱেই এই সমাজখনৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ প্ৰতি চৰকাৰী স্বীকৃতি প্ৰকাশ কৰে, যিটো বিগত চৰকাৰসমূহৰ কাৰ্যকালত বিশেষ পৰিলক্ষিত হোৱা নাছিল। এই আঁচনিৰ জৰিয়তে চাহ-শ্ৰমিক সমাজৰ দুৰ্দশাৰ বাস্তৱ ছবিখন ৰাজনৈতিক আৰু সামাজিক আলোচনাৰ মূলসুঁতিত আহি পৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে। তথাপি, চাহ- শ্ৰমিক সমাজৰ প্ৰকৃত আৰু স্থায়ী উত্তৰণ সুনিশ্চিত কৰিবলৈ হ'লে এইধৰণৰ আঁচনিৰ সৈতে গাঁথনি-ভিত্তিক সংস্কাৰ জড়িত হোৱাটো অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত চৰকাৰে প্যঁনতম মজুৰি আইন কঠোৰভাৱে প্ৰয়োগ কৰা, চাহ-বাগিছা অঞ্চলসমূহত উন্নত স্বাস্থ্য আৰু শিক্ষাব্যৱস্থা গঢ়ি তোলা, চাহ- শ্ৰমিকসকলৰ ভূমি অধিকাৰ নিশ্চিত কৰা, দক্ষতা বিকাশৰ ব্যৱস্থা কৰা আৰু বিকল্প জীৱিকাৰ সুযোগ সৃষ্টি কৰাটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ লগতে শ্ৰমিক ইউনিয়ন আৰু নাগৰিক সমাজৰ সক্ৰিয় আৰু দায়িত্বশীল অংশগ্ৰহণে চাহ-শ্ৰমিক সমাজৰ দীৰ্ঘদিনীয়া বঞ্চনাৰ অৱসান ঘটাবলৈ এক শক্তিশালী ভূমিকা পালন কৰিব পাৰে।

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি

আদিবোৰ বিদ্যমান। একাংশ গুৰু-গোঁসাই নমনা সন্তানৰ বাবেই ঘৰুৱা তথা সামাজিক শান্তি নোহোৱা হৈছে, সামাজিক পৰিৱেশ বিনষ্ট হোৱা পৰিলক্ষিত হৈছে। আধ্যাত্মিক চিন্তা-চৰ্চাৰ অভাৱৰ বাবে এনে সন্তানৰ আধ্যাত্মিক অনুভূতি কম হোৱা দেখা যায়। যিয়ে সন্তানক বিপথগামী, অসৎ, অসামাজিক কৰ্মত লিপ্ত হ'বলৈ প্ৰেৰণা যোগায়। বিবেক দংশন বা সামাজিক ভয়ৰ পৰা এই সকল বহুত দূৰৈত। আধ্যাত্মিক,নৈতিক জ্ঞানৰ অভাৱত আজি বহু জনেই আক্ৰান্ত বুলি ক'ব পাৰি। আনহাতে, আমি আমাৰ চাৰিওফালে চকু দিলে দেখিম যে আমি বৰ্তমান এনে এখন সমাজত বৰ্তমান বাস কৰিছো বা সমাজখন এনে দিশলৈ পৰ্যবসিত হৈছে যে সমাজৰ সচেতন মহলৰ মনত আশংকা, আতংকৰ সৃষ্টি হৈছে। এই আশংকা কিন্তু অমূলক নহয়। বাহিৰৰ পৰিৱেশ পূৰ্বৰ দৰে নিৰ্মল, অনুকূল হৈ থকা নাই। এই কথা নতুনকৈ কোৱাৰ হয়তো প্ৰয়োজন নাই। এই বিহ সমূহ চিনাক্তকৰণ তথা নিৰ্মূলৰ সময় আহি পৰিছে । সেয়ে এই লিখনিৰ জৰিয়তে সমস্ত মাতৃ সমাজক এটাই আহ্বান জনাও যে বংশৰ গৌৰৱ, সমাজ তথা দেশৰ ৰক্ষক স্বৰূপ আমাৰ এই সন্তান সকলক সুৰক্ষা কৱচ প্ৰদান কৰাটো মাতৃ সকলৰ বাবে বিশেষ প্ৰয়োজন আহি পৰিছে। আৰু তেতিয়াহে আপোনা-মোৰ সন্তানক নিশ্চিন্ত মনে বাহিৰৰ সমাজ খনলৈ মুক্ত মনে পঠাব পাৰিম। পৰিয়ালৰ আবেষ্টনিত, মাতৃৰ সু-শাসন, সহযোগত গঢ় লৈ উঠা প্ৰতিটো সন্তানেই হৈ উঠিব একোটা উজ্বল জ্যোতিষ্ক। মাতৃ সমাজৰ এই ধৰণৰ সক্ৰিয় মানসিকতা তথা সহযোগিতাই এখন সুস্থ- সৰল, নিৰাপদ সমাজ গঢ়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব। কেৱল নিজ সন্তানৰ বাবেই নহয়, সমাজৰ প্ৰত্যেক জন সন্তানৰ বাবে মাতৃসমাজ সচেতন আৰু সতৰ্ক হোৱাটো সাম্প্ৰতিক সময়ৰ আহ্বান ।


JANASANYOG- 4782/25/8-March-26






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# লিমাৰিক



**ৰশ্মি গগৈ**

(১)
ফাগুনে ফাকুৱা খেল দৌল যাত্ৰা তাত,
কৃষ্ণ বিহনে স্ফুৰ্টি নাই বৃন্দাবনত,
পূৰ্ণিমাত দৌল যাত্ৰা,
ফাকু খেলে পূৰ্ণ মাত্ৰা,
দুখত্ৰশোক পাহৰিয়ে হয় একত্ৰিত।
(২)
ফাকুৱা কোৱা হয় ৰঙৰ উৎসৱ,
জীৱনত হয় হেনো ৰঙৰ উদ্ভৱ,
নকৰিলে দুখ-কষ্ট,
হ'ব জানো হৃষ্ট-পুষ্ট,
হ'ব জানো সহজে কষ্ট বোৰ লাঘৱ।

**অনিমা মাধৱ বৰঠাকুৰ**

(১)
ফাগুনৰ পূৰ্ণিমাত খেলে যে ফাকুৱা
ফাকুখেলি সকলো হ'ল যে ৰঙচুৱা
ফাকু খেলে আনন্দৰে
সম্প্ৰীতিৰ বান্ধোনেৰে
ফাকুখেলি ৰুণজুন হ'ল ভাগৰুৱা
(২)
ফাকুৰ ৰঙেৰে আকাশ খন ৰাঙলী
ফাগুৱা খেলে আনন্দেৰে ল'ৰা, ছোৱালী
ফাগুন ৰাঙলী হ'ল
মন প্ৰাণ ভৰি গ'ল
ফাগু খেলি উভতে ঘৰলৈ অলি, লিলি

**উমা দেৱী**

(১)
সাতো ৰঙে মোহনীয়া আনন্দৰ মেলা
শ্ৰী কৃষ্ণ ঘুনুচাৰ বিয়া হলী যে খেলা
সভাত পলাশ ৰঙে
লক্ষ্মী উঠিল যে খঙে
বিয়া কৰাব গৈ নাহিল যে অত বেলা।
(২)
ৰঙা, নীলা, হালধীয়া ফাকুৰে বোলোৱা
লৰালৰি ঘুনুচাক কাপোৰে সজোৱা
হলী খেলে ৰঙ্গে মনে
আহা সবে লোৱা সঙ্গে
ফাকু খেলি যাব কৃষ্ণ লক্ষ্মীক বুজোৱা।

**মালবিকা দেৱী**

(১)
কলীয়া গোঁসাই থানত পাতিছে মেলা,
চাবলৈ গলো আগতে দেখা নাই মেলা।
বাণিজ্য মেলা বহিছে,
মানুহো বহুত হৈছে।
বাইদেউ সৈতে চালো ফাকুৱাৰ মেলা।
(২)
কলীয়া গোঁসাই থানৰ মেলালৈ গলো,
ফাকুৱা মেলাত গৈ আমি চাৰ্কাছ চালোঁ।
বস্তুবোৰ চৰা দাম,
শুনি বোলো ৰাম ৰাম।
জেলেপি চাওচা খাই ঘৰলৈ আহিলো।

# "নাৰী দিৱসতে গৰাকী নাৰীৰ সন্মান" নে!

**নমিতা দাস, শুৱালকুছি**



"আগতে মই ভয় খাইছিলোঁ যে মানুহে মোক ক'ত বুলি ভাৱিব, " তেওঁ নিজৰ কথা কিয় কয়,? কিন্তু এতিয়া মোৰ সাহস হৈছে ক'বলৈ, - এইটো মই "অপ্ৰাহ ৱিনফ্ৰীৰ" এই উদ্ধৃতিটোৱে মহিলা সকলৰ জীৱনৰ সপোন দেখা আৰু মৌলিক অধিকাৰ বোৰ প্ৰতিফলিত কৰা অগ্ৰণী ভূমিকা গ্ৰহণ কৰে । ভাৰতীয় সংবিধানত যদিও নাৰী সকলক সম মৰ্যদা দিয়া হৈছে সামাজিক ভাবে এতিয়াও নাৰী সকলক লৈ চিন্তা চৰ্চা বহু নিম্ন গামি হৈয়ে আছে ।

৮ মাৰ্চ সমগ্ৰ দেশতে নাৰী দিৱস হিচাপে পালন কৰা হয়। নাৰী সকলৰ সন্মানক বা সামাজিক ৰাজনৈতিক মৰ্যদাৰ বাবে এই দিৱস পালন কৰি অহা হৈছে কথা হ'ল বছৰৰ মুৰত এদিন নাৰী সকলক সন্মান কৰা বা নাৰী দিৱস পালন কৰিলেই সমস্ত নাৰীক সমমৰ্য্যদা দিয়া বা সন্মান কৰা নুবুজাই এতিয়াও বহু নাৰী ধৰ্ষিতা, লাঞ্চিতা, অবহেলীতা, নাৰী ভ্ৰূণ হত্যা কৰাকে ধৰি পদে পদে নাৰী অ-সুৰক্ষিত হৈ আহিছে । বৰ্তমান যদিও আমি মুখেৰে নাৰী-পুৰুষৰ সম অধিকাৰৰ কথা কৈ আহিছো কাৰ্যক্ষেত্ৰত এতিয়াও নাৰী-পুৰুষক সম অধিকাৰ দিয়া হোৱা নাই। সাধাৰণ ভাবে চাবলৈ গ'লে সকলোৱে নহয় বেছি ভাগ ঘৰতে লৰা-ছোৱালী দুজনৰ মাজত লৰাটোক সকলো ক্ষেত্ৰতে বেছিকৈ অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হয়। ছোৱালী গৰাকীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ বহু কষ্ট স্বিকাৰ কৰাৰ লগতে পৰিয়ালৰ ওচৰতো যুগ্যতাৰ প্ৰমাণ দিব লগিয়া হয়।

নাৰী পুৰুষ এটা মুদ্ৰাৰ ইপিঠি- সিপিঠি ।পৃথিৱী বৰ্তী থাকিবলৈ হ'লে পুৰুষ আৰু নাৰীৰ সমানে প্ৰয়োজনীতা আমি নুই কৰিব নোৱাৰো । সৃষ্টিশিল সমাজ খনত নাৰী গৰাকীৰ ভূমিকা যথেষ্ঠ। এগৰাকী নাৰী হৈছে ঘৰ খনৰ দাপোন স্বৰূপ ।গছপুলি এটা যেনেকৈ লালন পালন কৰাৰ পিছত বৃদ্ধি হ'লে ফলে-ফুলে জাতিষ্কাৰ হৈ পৰে তেনেকৈ এগৰাকী মাতৃৰ লালন পালনে এটি সন্তান সঠিক ৰূপে শাৰীৰিক, মানসিক আৰু সামাজিক ভৱিষ্যত সুনাগৰিক হিচাপে গঢ় দিয়াত নাৰী এগৰাকীৰ অতুলনীয় ভূমিকা আছে। এগৰাকী মাতৃয়ে বহু দুখ কষ্ট সহ্য কৰাৰ লগতে এটা সন্তানক লালন পালন কৰিবলৈ জীৱনৰ কিছুমান অমুল্য সিদ্ধান্ত সলনী কৰি ত্যাগ স্বিকাৰ কৰি এটি সন্তানক ডাঙৰ কৰে । তাৰ পিছতো তেওঁ কিছু কিছু সময়ত নিজ ঘৰ খনৰ বাবে মুল্য হীন হৈ পৰাৰ সময় খিনি এগৰাকী নাৰীৰ বাবে মানসিক শান্তি বুলিয়ে ধৰি ল'ব পাৰি ।

এগৰাকী নাৰী শাৰীৰিক আৰু মানসীক ভাবে সবল হ'বলৈ মাতৃ গৰাকীৰ ভুমিকা উল্লেখনীয় । নাৰী সকলক নিজৰ সুৰক্ষাৰ লগতে স্বাবলম্বী কৰি গঢ়ি বলৈ অৰ্থৎ প্ৰয়োজন সাধাৰণতে আমাৰ নাৰী সকলক সৰুৰে পৰা ঘৰৰ কাম বন শিকোৱাত বেছি গুৰুত্ব দিয়া হয় যদিও তাৰ মাজতে বৰ্তমান সময়ত সেই মানসিকতাৰ সলনি হোৱা দেখা যায় ।অতিজৰে পৰা বহুতো নাৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে তাৰ ভিতৰত ৰাণী লক্ষ্মীবাঈ, ৰেজিয়া চুলতান, কস্তোৰবা গান্ধী, সাবিত্ৰী বাই, সৰোজনী নাইডু, ইন্দিৰা গান্ধীকে ধৰি ভাৰতৰে বংশোত্তৰ প্ৰথম গৰাকী মহিলা কল্পনা চাউলা আৰু সুনিতা উইলিয়ামে চন্দ্ৰত অবতাৰণ কৰি নাৰী শক্তিৰ পৰিচয় দিয়ে। সেইদৰে অসমতো জয়মতী কোঁৱৰী, কনকলতা, চন্দ্ৰপ্ৰভা শইকীয়া, হীমা দাস লাভলীনা আদিৰ দৰে নাৰী সকলে নাৰীৰ স্থান উৰ্ধমুখী কৰি নাৰীৰ মৰ্যদা বৃদ্ধি কৰে যদিও আমাৰ সমাজত এতিয়াও নাৰী আৰু পুৰুষ ৰ মাজত ব্যৱধান দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত পৈত্ৰিক সম্পত্তিৰ ভাগ যদিও পুৰুষ মহিলা সমানে অংশীদাৰী বুলি আইন ব্যৱস্থা কৰিলেও ঘৰৰ ছোৱালী জনীৰ নামত সা - সম্পত্তি দিয়া নহয় বা পৈত্ৰিক সম্পত্তি পৰম্পৰাগত ভাবে পুৰুষ সন্তান সকলে গ্ৰহণ কৰাত নাৰী সকলৰ স্বাবলম্বী কৰণত নিজে উপাৰ্জন কৰিবলৈ যঠেষ্ট কষ্ট সহ্য কৰিব লগিয়া হৈছে। সামাজৰ কিছুমান প্ৰচলিত মানসিকতাৰ বাবে উদ্যোগ আৰু সংসাৰ একেলগে চলাবলৈ মহিলা সকলে যঠেষ্ট কষ্ট কৰিব লগীয়া হয় । মহিলা সকলে নেত্ৰিত্ব লৈ উদ্যোগী কৰণেৰে আগুবাই গ'লে সামাজিক কিছুমান নীতি ভংগ হ'ব তেতিয়া উদ্যমী মহিলা সকলৰ দ্বাৰা আন মহিলা সকলক সংস্থাপন গ্ৰহণে সামাজ আৰু ঘৰ খনক পোহৰাই তুলিব।

**মামণি পাপৰি বৰুৱা বৰা**



(১)
গোবিন্দ প্ৰভুৰ থানত ফাকুৱা মেলা
সেয়ে আৰোহীৰ ঘৰুৱা কামত হেলা
মাকে পাৰিছে গালি
তাই যে ধৰিছে চালি
কাপোৰ বিচাৰি উলিয়াই গ'ল বেলা।
(২)
মাকৰ গালি খাই লৰাঢপৰা কৰে
বাটত যে খোজ দি উজুটি খাই পৰে
বিৰেনে সানিলে ফাকু
চেনেহী তুমি মোৰ বুকু
তোমাক দেখিলে মোৰ ভালপোৱা চৰে।

# গৃহিনীৰ কথাৰে ...

কবিতা শৰ্মা
নতুন দিল্লী



" মোৰ পৰিবাৰে একো নকৰে। তেওঁ ঘৰতেই থাকে ।" কেৰেলাৰ এজন মানুহে তেওঁৰ ঘৰৰ গৃহিণীক কাৰোবাৰ সৈতে পৰিচয় কৰি দিবলগীয়া হ'লে তেনেকৈয়ে পৰিচয় কৰি দিয়ে । মাকক দিনে ৰাতিয়ে ঘৰুৱা কামত ব্যস্ত হৈ থকা দেখি অহা তেওঁৰ ক্লাছ নাইনত পঢ়া পুত্ৰ জনে দেউতাকৰ সেই কথাত বৰ আচৰিত হয় । কেৱল সেয়াই নহয় সি মন কৰে যে সিহঁতৰ ওচৰে পাজৰে বাস কৰা প্ৰায় সকলোবোৰ গৃহিনীৰে তাৰ মাকৰ দৰে একেই অৱস্থা । সেয়েহে ওপৰত দিয়া ছবি খন আঁকি সি ছবিখনৰ নাম দিয়ে -- " My mother and mothers in the neighborhood . " অনুযাথ বিনায়ক নামৰ সেই কিশোৰ ছাত্ৰজনৰ মাতৃসকলৰ বেতন বিহীন পৰিশ্ৰমৰ বৰ্ণনা কৰি অঁকা সেই ছবিখনে ভূয়সী প্ৰশংসা লাভ কৰে আৰু ২০২০ -২০২১ ৰ কেৰেলা চৰকাৰৰ "Gender budget document "ৰ বেটুপাত হিচাপে মনোনীত হয় ।

কেৱল কেৰেলাৰ সেই মানুহজনৰেই যে এনে মানসিকতা তেনে নহয়, বৰঞ্চ পৃথিৱীৰ চুকে - কোণে, গাঁৱে - ভূঁএঃ, নগৰে - চহৰে এগৰাকী গৃহিণীৰ পৰিচয় এনেদৰেই ডাঙি ধৰা হয় । কোৱা হয় যে তেওঁ কোনো কাম নকৰে। যিহেতুকে ঘৰুৱা কাম কাজৰ কোনো অৰ্থনৈতিক স্বীকৃতি নাথাকে গতিকে তেওঁলোকৰ অৰ্থনৈতিক স্বীকৃতি নথকা এই কামক ৰাষ্ট্ৰীয় ভাবে অন্তৰ্ভুক্ত কৰা নহয়।

অসমৰ সমাজত গৃহিণী সকলা স্থিতি, পৰম্পৰাগত মূল্যবোধ আৰু আধুনিক পৰিৱৰ্তনৰ এক সংমিশ্ৰণ যদিও ঐতিহাসিক ভাবে অসমীয়া সমাজত নাৰীৰ স্থিতি তুলনামূলক ভাবে উন্নত, তথাপিও আমাৰ সমাজত গৃহিণী সকল আজিও বিভিন্ন আৰ্থ সামাজিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে । বেছি ভাগ গৃহিণী অৰ্থনৈতিক ভাবে তেওঁলোকৰ স্বামী বা পৰিয়ালৰ আন সদস্যৰ ওপৰত নিৰ্ভৰশীল, যাৰ বাবে পৰিয়ালত তেওঁলোকৰ অৱদান প্ৰায় অদৃশ্য হৈয়েই থাকে ।

গৃহিণী শব্দটোৰ আক্ষৰিক অৰ্থ হ'ল- ঘৰৰ ৰাণী বা মালিকনী । এখন সংসাৰ মৰমেৰে আৱৰি ৰাখি সুশৃঙ্খল ভাবে পৰিচালনা কৰাই নহয়, পৰিয়ালটোৰ মেৰুদণ্ড হিচাপে কাম কৰা মানুহগৰাকীয়েই হ'ল গৃহিণী । এগৰাকী গৃহিণীয়ে ঘৰখনত পালন কৰিবলগীয়া হোৱা তেওঁৰ বহুমুখী ভুমিকা সমুহ -

১) সংসাৰ পৰিচালনা- ঘৰখনৰ প্ৰতিটো বস্তুৰ যত্ন লোৱা , পৰিষ্কাৰ -পৰিচ্ছন্নতা বজাই ৰখা, পৰিয়ালৰ সকলো সদস্যকে প্ৰয়োজনীয় বস্তুৰ নিশ্চিত যোগান ধৰা ।

২) খাদ্য আৰু পুষ্টি- পৰিয়ালৰ সকলোৰে সুস্বাস্থ্যলৈ লক্ষ্য ৰাখি সুষম, পৌষ্টিক আৰু স্বাস্থ্য সন্মত আহাৰৰ ব্যৱস্থা কৰা ।

৩)হিচাপ ৰক্ষণ- সংসাৰৰ বাজেট তৈয়াৰ কৰি মিতব্যয়ীতাৰে সঞ্চয়ৰ ফালেও দৃষ্টি ৰখা ।

৪) সম্পৰ্ক ৰক্ষা- স্বামী সন্তান আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ সৈতে সুসম্পৰ্ক বজাই ৰাখি সকলোৰে সুখ-দুখৰ সঙ্গী হোৱা ।

৫) সন্তান, শিক্ষা আৰু সংস্কাৰ- সন্তানৰ পঢ়াশুনা, সঠিক শিষ্টাচাৰ আৰু নৈতিকতা শিকোৱাৰ দায়িত্ব প্ৰধানকৈ ঘৰৰ গৃহিনী গৰাকীৰ ।

এই সকলোবোৰ দায়িত্বৰ উপৰিও বহুসময়ত প্ৰয়োজন অনুযায়ী ঘৰখনৰ সৰু-সুৰা বজাৰ-সমাৰ, লৰা-ছোৱালীক স্কুল - টিউচন অনা নিয়াৰ দায়িত্বও গৃহিনী গৰাকীয়ে পালন কৰিব লগীয়া হয় । পৃথিৱীৰ বেছি ভাগ গৃহিণীৰ দৈনন্দিন ৰুটিন এইখনেই যি ৰাতিপুৱা আৰম্ভ হৈ মাজৰাতি শেষ হয়। তেওঁলোকৰ কোনো অৱকাশ যাপন নাই, অসুখ বিসুখ হোৱাৰ লাইচেঞ্চ নাই , সাপ্তাহিক চুটি নাই, কোনো দৰমহা নাই । তাৰপাছতো - "তেওঁ কোনো কাম নকৰে" বা সামান্য অজুহাততে "গোটেই দিনটো কি কৰি থাকা " ধৰণৰ কথাবোৰে তেওঁলোকৰ আত্ম সন্মানত প্ৰচণ্ড আঘাত দিয়ে ।

গৃহিনী সকলে তেওঁলোকৰ পৰিয়ালৰ লগতে নিজকো একোটা উন্নত জীৱন উপহাৰ দিয়াৰ উদ্দেশ্যে জীৱন পাত কৰি আহিছে । এয়া কেৱল তেওঁলোকৰ ব্যক্তিগত সুস্থতাতেই নহয়, সামগ্ৰিক অৰ্থনীতিতো অৱদান যোগাইছে । গৃহিনী গৰাকীয়ে যিহেতুকে ঘৰলৈ ৰেচন অনা নাই তাৰ অৰ্থ এয়া নহয় যে তেওঁ পৰিয়ালটোৰ আয়ৰ ক্ষেত্ৰত অৱদান যোগোৱা নাই । সাম্প্ৰতিক গৱেষণা অনুসৰি একোগৰাকী গৃহিনীৰ ৰন্ধা -বঢ়া, পৰিস্কাৰ-পৰিচ্ছন্নতা, টিউচন আৰু অন্যান্য গৃহস্থালিৰ কাম - কাজ, ঘৰখনৰ পৰিচালনা, পৰিয়ালৰ সীমিত আয়ক নিজৰ দূৰদৰ্শিতাৰে খৰচ কমাই আয়ৰ কিছু অংশ সঞ্চয় কৰা আদিৰ মূল্য প্ৰতি মাহে কমেও ৫০, ০০০ - ৬০, ০০০ টকা। তাৰোপৰি তেওঁলোকে পৰিয়ালটোলৈ যি মানসিক সমৰ্থন আৰু নিৰ্দ্দেশনা প্ৰদান কৰে, সেয়া প্ৰায় অমূল্য। সংক্ষেপতে গৃহিণী গৰাকী ঘৰৰ সেই লক্ষী স্বৰূপা যাৰ যত্ন আৰু মমতাত এখন ঘৰ সুখ আৰু শান্তিৰ এক সুন্দৰ আশ্ৰয় স্থললৈ পৰিনত হয় । কিন্তু এয়া অতি পৰিতাপৰ কথা যে এতিয়াও গৃহিনী সকলে প্ৰায় ভাগ ক্ষেত্ৰতে তেওঁলোকৰ এই বলিদানৰ উপযুক্ত স্বীকৃতি পোৱা নাই । গৃহিণী শব্দটোৰ আক্ষৰিক অৰ্থ যিয়েই নহওক লাগিলে, ব্যৱহাৰিক ক্ষেত্ৰত ইয়াৰ অৰ্থ সম্পূৰ্ণ বিপৰীত । যেতিয়ালৈকে গৃহিনী সকলৰ ঘৰুৱা কাম "কাম নহয়" এই ধাৰণা সমাজত থাকিব আৰু যেতিয়ালৈকে প্ৰায় ২৪ ঘণ্টাৰ অবৈতনিক শ্ৰমক সমাজে উপযুক্ত মৰ্যাদা নিদিয়ে তেতিয়ালৈকে তেওঁলোকৰ প্ৰকৃত মৰ্যাদা প্ৰতিষ্ঠা নহয়।

ঘৰুৱা কাম - কাজৰ মাজেৰে জীৱনৰ সৰ্বস্ব সময় অতিবাহিত কৰাতো হৈছে - ঐতিহাসিক ভাবে নাৰীৰ বিৰূদ্ধে চলি থকা আন এক শোষণ বা নিৰ্যাতন । অতীতত আমাৰ আইতা, মা, মাহী, পেহী, জেঠাই, খুৰী, মামী, নবৌ আদিয়ে নানান প্ৰতিভা থকা স্বত্বেও স্বীকৃতি বিহীন ঘৰুৱা কাম কাজত নিমজ্জিত থাকি জীৱন পাত কৰিছিল ।

অতীতৰ সেই নাৰী সকলৰ বিপৰীতে অৱশ্যে বৰ্তমানৰ গৃহিনী সকলৰ জীৱন ধাৰণৰ পদ্ধতি কিছু উন্নত । তাৰোপৰি যৌথ পৰিয়ালৰ পৰিবৰ্তে একক পৰিয়াল আৰু বিজ্ঞানৰ ন-ন আৱিষ্কাৰে আজিৰ গৃহিণীৰ জীৱন বহু পৰিমাণে আৰামদায়ক কৰিছে। গৃহিণী সকলেও থিতাতে ঘৰৰ কাম কাজ বোৰ কৰি নিজৰ বাবে কিছু সময় উলিয়াব পাৰে। অৱশ্যে এই ক্ষেত্ৰত মন কৰিবলগীয়া বিষয়টো হ'ল - এগৰাকী গৃহিণীৰ নিজৰ চখ, ইচ্ছা, বা কৰি ভালপোৱা কাম কৰাৰ মানসিকতা আৰু নিজৰ সৃষ্টিকামী মনটোৰ প্ৰয়োজনীয়তা। এগৰাকী গৃহিণীয়ে নিজাববীয়াকৈ কিছু আজৰি হোৱাৰ প্ৰয়োজন যাতে তেওঁ নিজৰ সত্ত্বা আৰু নিজৰ অন্তৰ্নিহিত শক্তিৰ বিষয়ে অনুভৱ কৰিব পাৰে ।

এটা সুখী পৰিয়াল আৰু একোখন সুস্থ সমাজৰ বাবে গৃহিণী গৰাকীৰ নিজৰ শাৰীৰিক আৰু মানসিক সুস্থতাৰ সকলোতকৈ বেছি প্ৰয়োজন। এই ক্ষেত্ৰত গৃহিণী সকলৰ নিজৰো কিছু কৰণীয় আছে । প্ৰতিদিনে আনৰ কথা ভাবি প্ৰায় ভাগ গৃহিণীয়ে নিজৰ কথা পাহৰি যায় । সুখী হৈ থাকিবলৈ হলে প্ৰতিটো কামৰ বাবে নিৰ্দিষ্ট সময়ভাগ কৰাৰ প্ৰয়োজন । এনে কৰিলে কামৰ চাপ কমিব আৰু নিজৰ বাবেও কিছু অবসৰ সময় উলিয়াব পৰা যাব । সোনকালে শুই উঠাৰ অভ্যাস, ঘৰখন শৃঙ্খলিত কৰি ৰখা, প্ৰৰ্যাপ্ত জিৰণি আৰু টোপনি, দিনটোৰ কিছু সময় নিজৰ পছন্দৰ কাম কৰা, নতুনকৈ কিবা শিকাৰ মানসিকতাৰে নিজকে নবীকৰণ (update) কৰি ৰখা, নিজৰ বাহ্যিক আৰু আভ্যন্তৰীণ সৌন্দৰ্যৰ যত্ন লৈ নিজৰ ব্যক্তিত্ব বজাই ৰখা, শৰীৰ সুস্থ আৰু সুন্দৰ ৰাখিবলৈ প্ৰতিদিনে খোজকঢ়া আৰু লঘু ব্যায়াম কৰা, হাঁহিমুখে থাকি ঘৰখনৰ পৰিৱেশ উজ্জ্বল কৰি ৰখা ইত্যাদি, ইত্যাদি । একঘেমীয়া জীৱন আমনি দায়ক। সংসাৰৰ গণ্ডিৰ বাহিৰেও সকলো নাৰীৰে ব্যক্তিগত একোখন নিজস্ব পৃথিৱী থাকে বা থকাটো উচিত। সেয়েহে আত্মীয় স্বজন, বন্ধু - বান্ধৱীৰে যোগাযোগ ৰখাৰ অত্যন্ত দৰকাৰী। সামাজিক যোগাযোগে মানসিক চাপৰ পৰা মুক্ত কৰি ৰাখে । সৰ্বোপৰি না কোৱাৰ অভ্যাস কৰা । এই অভ্যাসে ঘৰখনৰ সমস্ত কামৰ দায়িত্ব নিজৰ ওপৰত লৈ অসুস্থ হৈ পৰাৰ পৰা গৃহিণী সকলক ৰক্ষা কৰে । ঘৰখনৰ আন সদস্য সকলক ভালপোৱাৰ দৰে নিজকো ভাল পাবলৈ শিকা, নিজৰ অৱদানক লৈ গৌৰব কৰি আত্মসন্মান বজাই ৰখা প্ৰতি গৰাকী গৃহিণীৰ কৰ্ত্তব্য। ঘৰ খনৰ আন সদস্য সকলেও গৃহিণী সকলক এই ক্ষেত্ৰত কিছু সহযোগিতা কৰি তেওঁক নিজৰ প্ৰতিভা অনুযায়ী আগ বাঢ়ি যাব পৰাকৈ সহায় কৰা উচিত। কাৰণ গৃহিনী সকলৰ সামাজিক মৰ্যাদা নিৰ্ভৰ কৰে তেওঁক পৰিয়ালে আৰু সমাজে কেনেকৈ গ্ৰহণ কৰে তাৰ ওপৰত।

সমাজত গৃহিনী সকলৰ স্থিতি উন্নত কৰিবলৈ তেওঁলোকৰ শাৰীৰিক - মানসিক স্বাস্থ্যৰ দৰেই অৰ্থনৈতিক সবলী কৰণ আৰু আঙ্কিক (digital) সাক্ষৰতাৰ ওপৰত অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন । গৃহিণী সকলে কেৱল ঘৰুৱা কামতে ব্যস্ত নাথাকি বিভিন্ন উপাৰ্জনৰ পথ বিচাৰি লব পাৰে । যেনে -

স্ব সহায়ক গোটবোৰৰ জৰিয়তে ক্ষুদ্ৰ ঋণ লৈ পশুপালন, হাঁহ কুকুৰা পালন বা আন যি কোনো ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰা, পৰম্পৰাগত বোৱা - কটা, চিলাই, আচাৰ -পিঠা পনা আদি তৈয়াৰ কৰি অন লাইন বা স্থানীয় বজাৰত বিক্ৰী কৰা, বা সামাজিক মাধ্যমত ইউটিউব বা ফেচবুকৰ জৰিয়তে চিলাই, নৃত্য-সঙ্গীত, ৰন্ধন শিল্পৰ আদিৰ দৰে নিজৰ যিকোনো দক্ষতা প্ৰদৰ্শন কৰি উপাৰ্জন কৰি স্বাৱলম্বী হব পৰা যায় । গৃহিণী সকলৰ আৰ্থিক স্বাৱলম্বিতা আৰু সামাজিক মৰ্যাদা একেটা মুদ্ৰাৰ ইপিঠি - সিপিঠি। অৰ্থনৈতিক স্বাধীনতা থাকিলে সামাজিক মৰ্যাদা স্বতঃস্ফূৰ্ত ভাবে বৃদ্ধি পায় ।

যিহেতু সৰ্বমুঠ জনসংখ্যাৰ নাৰী হৈছে প্ৰায় আধা অংশ সেয়ে নাৰীৰ উন্নতি অবিহনে সমগ্ৰ জাতিৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। য'ত নাৰীক সন্মান কৰা নহয় তাত মহান কামো হয় নিষ্ফল। আনহাতে য'ত নাৰীক সন্মান কৰা হয় তাতেই বিয়পে সমাজৰ মহানুভৱতা ।

শেষত গৃহিনী সকলৰ প্ৰতি - যি নিজৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে প্ৰতিনিয়ত নিজকে নিবেদিত কৰে, নিম্ন বাক্যটি উৎসৰ্গিত কৰিলোঁ - "গৃহিনী সকল হৈছে সেই নিমখৰ দৰে যাৰ উপস্থিতি দেখা পোৱা নাযায় কিন্তু যাৰ অনুপস্থিতিয়ে সকলো সোৱাদবিহীন কৰি তোলে।"

নাৰী নাথাকিলে পৃথিৱী অচল। নাৰীৰ সন্মান অবিহনে সমাজৰ সমৃদ্ধি নহয়। সেয়েহে কেৱল আজিৰ দিনটোতে নহয় বছৰৰ প্ৰতিটো দিনতে নাৰীক সন্মান কৰক।

সকলোলৈ আন্তৰ্জাতিক নাৰী দিৱসৰ
শুভকামনা জনালোঁ ।

# নাৰী দিৱস উপলক্ষে

মেঘালী বৰা, হেঙেৰাবাৰী



অসমৰ প্ৰথম গৰাকী মহিলা কেৱ চালক (প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱা)

যুগে যুগে নাৰীয়ে নিজৰ গুণ - গৰিমা, পতিব্ৰতা, ধৈৰ্য, একাগ্ৰতা, আদি গুণৰে নিজক প্ৰতিষ্ঠা কৰি আহিছে । তেনে এগৰাকী পতিব্ৰতা নাৰী হ'ল ড° মন্দিৰা বৰুৱা বাইদেউ । আমাৰ সমাজৰ মহিলাসকলৰ বাবে সাহস আৰু প্ৰেৰণাৰ প্ৰতীক হৈছে প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱা। নামেই যাৰ পৰিচয় প্ৰিয় নাৰী। নাৰীৰ ত্যাগ আৰু সংগ্ৰামৰ জীৱন্ত দলিল তেওঁ । বাইদেৱে তেওঁৰ নামৰ আগত ড° মন্দিৰা বৰুৱা লিখাতকৈ প্ৰিয় নাৰী মন্দিৰা বৰুৱা বুলি লিখিলেহে বা ক'লেহে বেছি ভাল পায়। এই কথা সকলো অনুষ্ঠানতে তেওঁ ক'বলৈ কুণ্ঠাবোধ নকৰে । বাইদেৱে অহৰহ নিৰন্তৰ বিশ বছৰে সমাজৰ উন্নতিৰ হকে কাম কৰা বাবে International Peace University, Germany- ৰ পৰা ২০২০ চনত তেখেতে MSW(Master's of Social worker) সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰি আমাৰ প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱা হিচাপে পৰিচিত হয় । সৃষ্টিশীল সৌন্দৰ্যময় জীৱনৰ সন্ধান কৰাই হৈছে মানৱ জীৱনৰ মূল লক্ষ্য। সমাজত এনে কিছুমান নাৰী আছে যি নিজৰ ধৈৰ্য, সাহস, কৰ্ম আৰু অনেক সংগ্ৰামৰ মাজেৰে আহি নিজকে প্ৰতিষ্ঠিত কৰিছে। মন্দিৰা বাইদেউও তাৰ ব্যতিক্ৰম নহয় । নিজৰ কষ্ট, ত্যাগ , কঠোৰ পৰিশ্ৰমৰ মাজেৰে আহি বৰ্তমান অৱস্থা পাইছেহি । বাইদেউক জানিবলৈ হ'লে বাইদেউৰ বিয়াৰ সময়লৈ উভতি যাব লাগিব।

বাইদেউ বিয়া হৈছিল এজন অভিযন্তাৰ লগত। জন্মগত ভাবে তেওঁৰ স্বামীৰ হাৰ্টটো সৰু আছিল । বিয়াৰ পাছত এই কথা জানিব পাৰি তেওঁক বিষাদে আৱৰি ধৰিছিল আৰু চিকিৎসকে জনাইছিল তেখেতৰ হাৰ্ট ট্ৰেন্‌ছপ্লাণ্ট কৰিব লাগিব। তেওঁ মাত্ৰ পোন্ধৰ দিনৰ অতিথি আৰু চিকিৎসাৰ বাবে পোন্ধৰ লাখ টকাৰ প্ৰয়োজন হ'ব। বাইদেউৰ উপায় নাইকিয়া অৱস্থা । পিতৃ আৰু স্বামী দুয়োখন ঘৰৰ পৰা গোটালেও সিমান টকা যোগাৰ কৰা সম্ভৱ নহয় । স্বামীয়ে আৰু পৰিয়ালৰ সকলৰে বাইদেউৰ মুখলৈ চাই, কি কৰিব পৰা যায় । মৰমৰ স্বামীয়ে পত্নীৰ মুখলৈ চাই অনুভৱ কৰে ৰীজুৱে নিশ্চয় কিবা এটা কৰিব পাৰিব। মন্দিৰা বাইদেউক স্বামীয়ে ৰীজু বুলি মাতিছিল । স্বামীৰ সেই চাৱনীত যেন মন্দিৰা বাইদেউৱে সংগ্ৰাম কৰিবলৈ দৃঢ় সংকল্প ল'লে। তেওঁ বুজি উঠিল স্বামীক সুস্থ কৰিবলৈ হ'লে সংগ্ৰাম কৰিবই লাগিব । জীৱন মানেই সংগ্ৰাম। সংগ্ৰামৰ অবিহনে জীৱনেই হ'ব নোৱাৰে। বাইদেৱে পিছ দিনাই ডাউন টাউন হস্পিটেলত এটা চাকৰি বিচাৰি আবেদন কৰিলে। তেওঁৰ অৰ্হতা বিচাৰোঁতে তেওঁ যথাযথ উত্তৰ দিলে তেওঁ ভালকৈ ইংৰাজী নেজানে । নাই কোনো কম্পিউটাৰৰ শিক্ষা। স্বামীৰ পৰিচয় বিচৰাত অভিযন্তা বুলি কোৱাত বহুতে ঠাট্টা মস্কৰা কৰাত তেওঁ সবিনয়ে জনালে যে অসুস্থ স্বামীক সুস্থ কৰা আৰু ঘৰখনৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ তেওঁক এটা চাকৰিৰ বৰ প্ৰয়োজন । তেওঁৰ কাতৰ অনুৰোধত বিভাগীয় কৰ্তৃপক্ষই কোনো নাৰ্চিং প্ৰশিক্ষণ নোলোৱাকৈ ডাউন টাউন হস্পিটেলত কাৰ্ডিঅ'লজিষ্ট বিভাগত এগৰাকী সাধাৰণ সহায়িকা হিচাপে নিযুক্তি দিয়ে। তেওঁ সেই বিভাগতে চাকৰি দিবলৈ জোৰ কৰে আৰু কথা দিয়ে তেওঁ নাৰ্চিং সম্পৰ্কীয় শিকিবলগীয়া সকলো শিকিব পাৰিব । তেওঁ কম দিনৰ ভিতৰতে চিকিৎসা যন্ত্ৰৰ সকলো খুটি-নাটি শিকি স্বামীৰ পালছ্‌ চেক কৰা, ইচিজি কৰা, ইক' কৰা, হ'ল্টাৰ লগোৱা আদি কাম সমূহ আয়ত্ব কৰি স্নেহ ময়ী পত্নীয়ে নাৰ্ছৰ সলনি নিজেই সকলো কাম কৰিবলৈ ল'লে। স্বামীক কেতিয়াবা দিনটোত দুবাৰ বা প্ৰতিদিনে চিকিৎসালয়লৈ গাড়ী ভাৰা কৰি আনিবলৈ যথেষ্ট টকা -পইচাৰ প্ৰয়োজন হোৱাত এখন পুৰণি গাড়ী কিনি ল'লে। নিজেও গাড়ী চলাবলৈ শিকি ল'লে । দিনত চাকৰি কৰে ৰাতি হ'লে গাড়ী চলায় । এই দূৰান্ত সাহসী মহিলা গৰাকীয়ে ৰাতি বিমান বন্দৰ পৰ্যন্ত গাড়ী চলাই উপাৰ্জনৰ পথ মুকলি কৰিছিল আজিৰ পৰা প্ৰায় ৩০ বছৰৰ আগতেই, ভাবিলে আচৰিত লাগে বাইদেউৰ সাহস দেখি। মন্দিৰা বাইদেউৱেই হৈছে অসমৰ প্ৰথম মহিলা কেৱ চালক । যি সময়ত মহিলাই ৰাতিৰ আন্ধাৰত মুকলিলৈ ওলাবলৈ ভয় কৰিছিল সেই সময়ত বাইদেউৱে কেৱ চলাই টকা উপাৰ্জন কৰিছিল । সেই সময়তে বাইদেউৱে নলবাৰীৰ একেটা পৰিয়ালৰ পাঁচজন ল'ৰাক ড্ৰাইভিং প্ৰশিক্ষণ দি ল'লৈ লগতে এটা ট্ৰেভেল এজেঞ্চীও খুলি দিছিল। এতিয়া পাঁচোজন ভাই -ককাই সফল ব্যৱসায়ী। সম্পূৰ্ণ ১৮ বছৰ তেওঁ স্বামীৰ চিকিৎসা আগবঢ়াইছে এগৰাকী পত্নী, এগৰাকী ধাত্ৰী, এগৰাকী সুযোগ্য বোৱাৰী হিচাপে। চিকিৎসাধীন সময়তে স্বামীৰ পেৰেলাইচিছ হ'বলৈ ধৰিলে । তেওঁ অকলে স্বামীক উঠোৱা -বঢ়োৱা গা-ধোৱাত অসুবিধা হ'লত গাঁৱৰ পৰা এগৰাকী ছোৱালী আনি বিনামূলীয়াকৈ নাৰ্ছৰ প্ৰশিক্ষণ দি তেওঁ ঘৰত নথকা সময়ত ছোৱালীজনীক চোৱা -চিতাৰ দায়িত্ব দিয়ে। এইদৰে স্বামীৰ শ্ৰদযশা কৰি যায় । গাঁৱৰ দুখীয়া ছোৱালী-মহিলা আনি 'মন্দিৰা ছলিউছন' নাম দি বিনামূলীয়াকৈ নাৰ্ছিং প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে । ইয়াত প্ৰশিক্ষণ লোৱা প্ৰায় চাৰি শতাধিক নাৰ্ছে বিভিন্ন চিকিৎসালয়ত বৰ্তমান নাৰ্ছিং সেৱা আগবঢ়ায় আছে ।

মাত্ৰ ১৫ দিনৰ আলহীজনক বাইদেউৱে ১৮ বছৰ সেৱা আগবঢ়ায় ।সৰল সাহসী মনৰ মন্দিৰা বাইদেউৱে চিন্তা কৰিলে যে ১৮ বছৰ এজন ৰোগীক অকল মেডিচিনে ভাল কৰিব নোৱাৰে। ৰোগীক মানসিক শান্তিও দিব লাগিব। তাৰবাবে তেওঁ হাঁহ -পাৰ, ছাগলী, গৰু পুহিবলৈ ধৰিলে। উৰি যোৱা জাক জাক পাৰ দেখি স্বামীয়ে মানসিক শান্তি পোৱা হ'ল। পোহনীয়া হাঁহ -পাৰ, গৰু-ছাগলীৰ গাখীৰ বেছি নিজেও আৰ্থিক স্বচ্ছল হ'ল আৰু পৰিয়ালৰ আৰ্থিক অনাটন কিছু পৰিমাণে দূৰ হ'ল। হৃদৰোগত আক্ৰান্ত স্বামীক লগত লৈ গুৱাহাটীৰ ভাড়াঘৰত অন্য এক জীৱন আৰম্ভ কৰে । ২০০২ চনত বাইদেউৱে গঢ় দিয়ে সাতসৰীৰ সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সস্থা । এই সস্থাৰ প্ৰতিস্থাপক সভানেত্ৰী আৰু পৰিচালিকা ড° মন্দিৰা বৰুৱা বাইদেউ । তেখেতৰ লগত সহযোগ কৰিলে অলেখ শিল্পী আৰু শুভাকাংক্ষী সকলে । বাইদেউৰ আদৰ্শ আৰু পৰিকল্পনা, পৰিচালনা, সৱল সাংগঠনিক ভূমিকাই আমাৰ অসমীয়াৰ বাপতি সাহোন বিহুটিয়ে বাইদেউৰ লগতে সমগ্ৰ অসমীয়াৰ বাবে মান -সন্মান আৰু গৌৰৱেৰে কঢ়িয়াই আনিলে বিশ্ব ৰেকৰ্ড। যদিও মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ৰেকৰ্ড ভংগ কৰি বিশ্ব অভিলেখ সৃষ্টি কৰিলে তাৰ আগতে ড° মন্দিৰা বৰুৱা বাইদেউ ইয়াৰ পথ প্ৰদৰ্শক বুলি আমি স্বীকাৰ কৰিবই লাগিব । ২০১৯ চনৰ ৩১ মাৰ্চ তাৰিখে আমাৰ অসমীয়া জাতীয় উৎসৱ বিহুক গুৱাহাটীৰ সোণাৰাম ক্ষেত্ৰত ৮৩৭ গৰাকী নাচনী, ২৬০ জন ঢুলীয়া দুশ জন পেঁপাবাদকৰ সৈতে বড়ো, মিছিং, কছাৰী, পাহাৰ-ভৈয়াম, উজনি -নামনি সকলো একত্ৰিত হৈ মহাজাতি অসমীয়াৰ পৰিচয় বিহু সংস্কৃতিৰে বিশ্ব অভিলেখ গঢ়াৰ এক প্ৰস্তুতি চলায়। ঢোল-পেঁপাৰ গগনাৰ ৰজনজনিত সোনাৰাম ক্ষেত্ৰৰ এক নান্দনিক দৃশ্যই বিশ্ববাসীক খলকনিৰ সৃষ্টি কৰে। তেতিয়াই যেন বাইদেউৰ জীৱনৰ দুখৰ পৰিসমাপ্তি ঘটে আৰু বাইদেউ জীৱনলৈ সোণালী অধ্যায়ে পাখি মেলে । সাতসৰী অনুষ্ঠানটোত বাইদেউৰ লগতে হাজাৰ হাজাৰ মহিলা জৰিত হৈ আছে । বাইদেউৰ অধীনত গঢ় লৈ উঠিছে বহুত আত্মসহায়ক গোট। এই গোট সমূহে মহিলাসকলক আত্মনিৰ্ভৰশীল হ'বলৈ বাট দেখুৱাইছে । মহিলা সৱলীকৰণৰ বাবে বাইদেউৱে অহৰহ চেষ্টা চলাই আছে । বাইদেউৱে কৰা নাই কি ? ইটোৰ পিছত সিটো কাম নিজেও কৰিছে আনক কৰিবলৈ উৎসাহ যোগায় আহিছে ।

গুৱাহাটীৰ বশিষ্ঠৰ ৰিভাৰ ৰিচাৰ্ছ ক'লনীৰ কোৱাৰ্টাৰত হাঁহ -পাৰ গৰু- ছাগলী পোহাৰ উপৰি চাৰিওফালৰ পৰিবেশ সুস্থ সুন্দৰ কৰিবলৈ দিনটো চাকৰি কৰাৰ অন্তত সন্ধিয়া হাতত দীঘল দা এখন লৈ হাবি জংঘল কাটি প্ৰায় ২০ বিঘা চৰকাৰী মাটি পৰিস্কাৰ কৰি সুন্দৰ পৰিবেশ গঢ়ি তোলা বাবে সেই সময়ৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ২০ হাজাৰ টকা মন্দিৰা বৰুৱাক উপহাৰ দিয়ে। বাইদেউৱে সেই টকাৰে শাক পাচলিৰ খেতি কৰে। বিলাহী, জিকা আদিৰ খেতি কৰি সমাজলৈ এক প্ৰচুৰ সম্ভাবনা কঢ়িয়াই আনিলে। ইচ্ছা কৰা হ'লে বাইদেউৱে সেই টকা লাহ-বিলাহত খৰছ কৰিব পাৰিলেহেঁতেন কিন্তু তাকে নকৰি টকাখিনি কৃষিত লগাই কেনেকৈ স্বাৱলম্বী হ'ব পাৰি তাৰ পথ দেখুৱায় দিলে। গাঁৱৰ জাক জাক মহিলাক আত্ম সহায়ক গোটত সুমুৱাই পিঠা -লাডু, বোৱা-কটা আদিৰ শিক্ষা দি তেওঁলোকৰ উৎপাদিত জা-জলপান, কাপোৰ আদি বিক্ৰী কৰিবলৈ নিজেই গুৱাহাটীৰ গণেশগুৰিৰ গণেশ উদ্যানত প্ৰথম বছৰ মহিলা সকলৰ লগত ওলাই আহে। আত্মসহায়ক গোটৰ কৰ্মীসকল যথেষ্ট লাভৱান হয় । বাইদেৱে নিজে কোৱা মতে বৰ্তমান বহুত আত্মসহায়ক গোটে লাডু-পিঠা কাপোৰ আদি বৈ জীৱন নিৰ্বাহ কৰি আছে । বৰ্তমান ৮৩৭ টা আত্মসহায়ক গোট আছে ।

ড° মন্দিৰা বৰুৱাই হেৰাই যাবলৈ ধৰা অসমৰ লোক সংস্কৃতি বিয়ানাম, বিহুনাম, দিহানাম এই লোকাচাৰ আৰু পৰম্পৰা বিলাক সমাজলৈ আকৌ উলিয়ায় আনিছে । নাৰীসকলক আমাৰ অসমীয়া সাংস্কৃতিক, সাজপাৰ, বিয়ানাম, বিহু নাম, দিহানাম আদি অনুষ্ঠিত কৰি প্ৰতিভা বিকাশৰ নতুন নতুন সমন্বয় মঞ্চ উপহাৰ দিছে । ড° মন্দিৰা বৰুৱাই অসমীয়া সমাজলৈ কেইবাখনো গ্ৰন্থ লিখি উপহাৰ দিছে । তেখেতৰ সৃষ্টি বিলাক হৈছে - আখ্যান আৰু দৰ্শন, কলমে পৰশা সিঁচৰিত ভাৱনা, অসমীয়া বিবাহ পদ্ধতি আৰু অন্যান্য পদ্ধতি (ইংৰাজীৰ বাহিৰেও বিভিন্ন ভাষালৈ অনুবাদ হৈছে), বিয়ানাম অমিয়া, অসমীয়া খাদ্যৰ জুতিত ঔষধি গুণ, থলুৱা বনদৰৰেৰে ঘৰুৱা চিকিৎসা 'Asomiya Bibah Podhhoti', 'বিহুনাম বিনন্দীয়া' আদি বিহুনাম বিনন্দীয়া গ্ৰন্থ খনত এশবছৰীয়া পুৰনি বিহুনাম সমূহ সংগ্ৰহ কৰা আছে । ইয়াৰ উপৰি কেইবাজনো লেখকে তেখেতৰ জীৱনৰ ওপৰত গল্প, নাটক তথ্য চিত্ৰ আদি লিখিছে । বিনোদ ভাগৱতীয়ে লিখিছে নাটক-মই মন্দিৰাই কৈছোঁ, দীপজ্যোতি শইকিয়াৰ তথ্য চিত্ৰ, মৰম কুমাৰৰ বিউটিফুল ট্ৰেজেদি, অলকা বুজৰ বৰুৱা যুগান্ত দাসৰ বেণীগাঁঠা ছোৱালীজনী, অম্লান শইকিয়াৰ প্ৰিয় নাৰী বেঙ্গলীত Saga of an Indian Woman ইত্যাদি। সাহসী যুঁজাৰু মহিলা ড° মন্দিৰা বৰুৱাই ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বহু কেইটা সন্মান আৰু স্বীকৃতি লাভ কৰিছে । ২০১৯ চনত ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক, বিষ্ণু -জ্যোতি সমন্বয় বঁটা, ২০২০ চনত আন্তৰাষ্ট্ৰীয় কৰ্মযোগী বঁটা, ২০২১ চনৰ ৩১ মাৰ্চত সোণাৰাম খেলপথাৰত ব্যতিক্ৰমী বিহু অনুষ্ঠান পৰিবেশনেৰে ইণ্ডিয়াজ ওৱৰ্ল্ড ৰেকৰ্ড, হাতীগড় সন্মিলিত যুৱ মঞ্চই প্ৰদান কৰা হাতীগড় গৌৰৱ বঁটা - ২০২১, ২০২২ চনত মৰমলেগু ৱেলফেয়াৰ ছ'চাইটিৰ পৰা প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱা উপাধি লাভ, ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশ মহিলা মৰ্চাই প্ৰদান কৰা অটল এৱাৰ্ড আদিয়ে বাইদেউৰ জীৱন ধন্য কৰে। ড° মন্দিৰা বৰুৱাই অসমীয়া খাদ্য সংস্কৃতি, অসমৰ বন দৰৱ, বনৌষধৰ গুৰুত্ব, থলুৱা লোক সংস্কৃতি আদি ভিন্ন বিষয়ৰ লগত গৱেষণাধৰ্মী পৰ্যালোচনাৰে অসমৰ বিভিন্ন ঠাইত কৰ্মশালা অনুষ্ঠিত কৰি গণসচেতনতা সৃষ্টিত অৰিহণা যোগাই আহিছে । শেহতীয়াকৈ ২০২৫ চনত প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱাক বীণা মেধিৰ স্মৃতিত সমাজসেৱক বঁটা প্ৰদান কৰা হয় ।

বাইদেউৰ মতে 'জীৱন মানে জীৱনেই, জীৱনে মৰণক টানে আৰু মৰণে জীৱনক টানে আৰু যিটোৱে দুয়োটাই টানে সেয়াই জীৱন ' । দীঘলীয়া সংগ্ৰামৰ পিছত বাইদেউ জয়ী হৈছে । ভাগি ভাগি উঠিছে কেতিয়াও হাৰ মনা নাই । বাইদেউৱে দৃঢ়তাৰে কয় যে ধৈৰ্য সাহস, কৰ্ম আৰু যিকোনো পৰিস্থিতিৰ লগত নিৰন্তৰ লাগি থাকিলে এদিন সফল হ'বই হ'ব ।

অসমৰ প্ৰথম গৰাকী মহিলা কেৱ চালক, অসমৰ বিবাহ পদ্ধতি খিনি ইংৰাজীত লিখি বিদেশলৈ পঠোৱা গৰাকীয়েই হৈছে মন্দিৰা বৰুৱা বাইদেউ। সু-লেখিকা, আদৰ্শ সমাজ সেৱিকা, এগৰাকী স্নেহময়ী সচেতন মাতৃ, পতিব্ৰতা পত্নী, ধৈৰ্যশীলা ধাত্ৰী ড° মন্দিৰা বৰুৱা হৈছে সকলোৰে বাবে প্ৰেৰণাৰ উৎস। এই মহীয়সী মহিলা গৰাকী দীন-দুখীয়াৰ প্ৰাণ। নিয়তীক প্ৰত্যাহ্বান জনাই নিজৰ ভাগ্য নিজেই সৃষ্টি কৰা এগৰাকী দুৰ্দান্ত সাহসী মহিলা। তেওঁৰ জীৱন যাত্ৰা সুন্দৰৰ পৰা সুন্দৰ হওক, সকলোৰে বাবে প্ৰিয় নাৰীগৰাকী প্ৰিয় হৈ থাকক ইয়াকে কামনা কৰিলোঁ।